


সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১৪ মাৰ্চ, ২০২৫/২৯ ফাগুন ১৯৪৩ শক ● দাম ২.০০ টকা ● ত্ৰয়োদশ বছৰ ● সংখ্যা - ৪৭ ● Vol - 13, Issue - 47

# ৰাজ্য চৰকাৰে চৰ অঞ্চলকে ধৰি দুৰ্গম অঞ্চললৈ বিদ্যুৎ সৰবৰাহৰ বাবে পদক্ষেপ লৈছে ঃ মুখ্য মন্ত্ৰী

## মজলী আৰু ৰাণী চাপৰি সংযোগী ভাসমান সেঁতুৰ লগতে ৰাণী চাপৰিৰ বৈদ্যুতিকৰণৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে





**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মজলী আৰু ৰাণী চাপৰি সংযোগী ভাসমান সেঁতুৰ লগতে ৰাণী চাপৰিৰ বৈদ্যুতিকৰণৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ১৪ জানুৱাৰীত ৰাণী চাপৰি পৰিদৰ্শন কৰাৰ কথা উল্লেখ কৰি কয় যে সেই সময়ত অঞ্চলটোৰ কৃষকসকলৰ সৈতে বিভিন্ন সমস্যা সমাধান সন্দৰ্ভত আলোচনা কৰা হৈছিল। ৰাণী চাপৰি এক উৰ্বৰ কৃষিভূমি বুলি মন্তব্য কৰি তেওঁ কয় যে প্ৰায় চাৰি হাজাৰ বিঘা ভূমি সামৰি লোৱা এই চাপৰিটোত কৃষিকাৰ্যৰ জৰিয়তে চাৰিশতকৈও অধিক কৃষক পৰিয়াল পোনপটীয়াকৈ উপকৃত হৈ আহিছে। তেওঁ অসম চৰকাৰৰ জলসিঞ্চন বিভাগক অঞ্চলটোত বিকল হৈ থকা সৌৰ পাম্পসমূহ তৎকালীভাৱে মেৰামতি কৰাৰ বাবে নিৰ্দেশ দিছিল বুলি উল্লেখ কৰি কয় যে বিভাগে সেই পাম্পসমূহ ইতিমধ্যে মেৰামতি কৰি দিছে। তেওঁ কয় যে মূল স্থলভাগৰ পৰা বহু দূৰৈত অৱস্থিত ৰাণী চাপৰিলৈ বৰ্তমানলৈকে যাতায়াতৰ বাবে নাৱেই হৈছে একমাত্ৰ মাধ্যম। নাৱেৰে বিভিন্ন কৃষি সামগ্ৰী অনা নিয়া কৰাত যথেষ্ট অসুবিধা হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এনে ধৰণৰ স্থানত দলং নিৰ্মাণ কৰাৰো সুবিধা নাথাকে। ইয়াৰ পৰিপ্ৰেক্ষিতত সংশ্লিষ্ট বিভাগৰ লগত আলোচনা কৰি ইয়াৰ বিকল্প হিচাপে যিকোনো সময়তে চাপৰিলৈ যাব পৰাকৈ বিকল্প ব্যৱস্থা হিচাপে ভাসমান সেঁতু স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সেঁতু নিৰ্মাণ হৈ উঠিলে দুই-তিনি টন ওজনৰ সামগ্ৰী, তিনিচকীয়া বাহন, মটৰ-চাইকেল আদি অহা যোৱা কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেনে প্ৰেক্ষাপটতে পৰীক্ষামূলকভাৱে ইয়াত এখন ভাসমান সেঁতু নিৰ্মাণৰ কাম শুভাৰম্ভ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ২৫০ মিটাৰ দৈৰ্ঘ্যৰ আৰু তিনি মিটাৰ বহল সেঁতুখন নিৰ্মাণত আনুমানিক ব্যয় প্ৰায় এক কোটি পঞ্চাশ

*১০ পৃষ্ঠাত*

# ৮ মাৰ্চত শুৱালকুছিৰ শাখা লেখিকা সংস্থাৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন



**অনামিকা (সংগীতা) কলিতা, শুৱালকুছি ঃ** ১৯০৮ চনত নিউয়ৰ্কৰ সামাজিক গণতান্ত্ৰিক নাৰী সংগঠনে আয়োজিত কৰা নাৰী সমাৱেশত জাৰ্মান সমাজতান্ত্ৰিক নেত্ৰী ক্লাৰা জেটকিনৰ নেতৃত্বত সৰ্বপ্ৰথম আন্তৰ্জাতিক নাৰী সন্মিলন অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ পিছত ১৯১০ চনত অনুষ্ঠিত হোৱা দ্বিতীয়খন সন্মিলনত ক্লাৰা জেটকিনে আগবঢ়োৱা প্ৰস্তাৱ মৰ্মে ৮ মাৰ্চ তাৰিখটো প্ৰতি বছৰে নাৰী দিৱস হিচাপে পালন কৰা হয়। লাহে লাহে এই দিনটো গোটেই বিশ্বতে বিয়পি পৰে। ইয়াৰ উদ্দেশ্য হ'ল নাৰীসকলৰ সুৰক্ষা, সম মৰ্যদা আদি প্ৰদান কৰা। বিগত বৰ্ষবোৰৰ দৰে এই বেলিও শুৱালকুছি শাখা লেখিকা সংস্থাৰ উদ্যোগত যোৱা ৮ মাৰ্চ ২০২৫ তাৰিখে নাৰী দিৱস পালন কৰা হয়। দিৱসৰ লগত সংগতি ৰাখি লেখিকা সন্থাৰ সভানেত্ৰী নীলিমা দাসৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা মঞ্জু কাকতিয়ে। উক্ত সভাত সন্থাৰ কেইবাগৰাকী সদস্যাই নাৰী সবলীকৰণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি ভাষণ আগবঢ়ায়। লগতে লেখিকা সন্থাৰ প্ৰতিষ্ঠাৰ পৰা ওতঃপ্ৰোতভাৱে জড়িত আৰু সাহিত্যৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱাৰ বাবে 'কল্পদ্ৰুম বঁটা' প্ৰাপ্যক দুগৰাকী জ্যেষ্ঠ মহিলা ক্ৰমে প্ৰাক্তন সভানেত্ৰী কুমাৰী কামদা বৈশ্য আৰু উপ-সভানেত্ৰী ৰুক্মিণী দাসক এখন ফুলাম গামোচা, মানপত্ৰ, গ্ৰন্থৰে সম্বৰ্ধনা জনোৱা হয়। আবেলি ৩ বজাত আৰম্ভ হোৱা অনুষ্ঠাটোত কেইবাগৰাকী লেখিকা উপস্থিত থাকি গীতমাত কবিতা পাঠ আদিৰে অনুষ্ঠানটো জীপাল কৰি তোলে। শেষত অসম সংগীতেৰে সভাখন সামৰণি মাৰে।

# শিৱসাগৰত জিলা স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভা সম্পন্ন

## জন ঔষধি দিৱস উদ্‌যাপন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চ্যুকাফা সভাকক্ষত যোৱা ৭ মাৰ্চত জিলা আয়ুক্ত আয়ুস গাৰ্গৰ সভাপতিত্বত জিলা স্বাস্থ্য সমিতিৰ এখন জিলা ভিত্তিক পৰ্যালোচনা সভা অনুষ্ঠিত হৈ যায়। সভাৰ আৰম্ভণিতে শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত মীনাক্ষী পাৰ্মে এ সভাত উপস্থিত সকলোকে আদৰণি জনায়। আনহাতে জিলা স্বাস্থ্য বিভাগৰ

*১০ পৃষ্ঠাত*



# ৰহা কলেজৰ একাংশ ছাত্ৰীৰ হাতত কিতাপ আৰু ৰহা কলেজৰ মহিলা কোষে বস্ত্ৰ ভড়াললৈ বহু মূল্যৱান পুৰণি বস্ত্ৰ আগবঢ়ায়



**নগাঁও ঃ** আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে ৰহা কলেজৰ একাংশ ছাত্ৰীৰ হাতত একোখনকৈ কিতাপ তুলি দিয়াৰ লগতে ৰহা কলেজৰ মহিলা কোষে নগাঁও বস্ত্ৰ ভড়াললৈ বহু মূল্যৱান পুৰণি বস্ত্ৰ তুলি দিয়ে। ছাত্ৰীৰ হাতত তুলি দিয়া কিতাপ পঢ়ি শেষ হ'লে কিতাপখন আন এজনক পঢ়িবলৈ দিয়া নিয়ম কৰি ধাৰবাহিকতা ৰাখিবলৈ কয় শিশু বন্ধু দুলাল বৰাই। লগতে কিতাপখন পঢ়ি এটা চমু টোকা লিখি মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওচৰত জমা দিবলৈও কয়। কিতাপৰ চমু আলোচনা কলেজৰ বাৰ্ষিক আলোচনী বা প্ৰাচীৰ পত্ৰিকাৰ সম্পাদকে প্ৰকাশ কৰিলে বৰ ভাল লাগিব বুলি উল্লেখ কৰি কিতাপ পঢ়ি জগত চিনিব আৰু কিতাপ পঢ়ি জগত জিনিব পাৰি বুলিও কয়। আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে ৰহা মহাবিদ্যালয়ৰ মহিলা কোষৰ সৌজন্যত ৰহা মহাবিদ্যালয় পেক্ষাগৃহত ৰহা মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুতা মণিকা দাসৰ পৌৰহিত্যত অনুষ্ঠিত আন্তৰ্জাতিক নাৰী দিৱসৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰহা কলেজৰ অধ্যক্ষ ড° বেদ কুমাৰ চলিহা আৰু বস্ত্ৰ ভড়ালৰ সভাপতি বিৰিঞ্চি বৰাই চমু বক্তব্য ডাঙি ধৰে। সভাত উপ-সভাপতি প্ৰাঞ্জল মজুমদাৰ আৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু দেশৰ গৌৰৱ, বিশ্বৰ গৌৰৱ ছাত্ৰ-ছাত্ৰী সকল। সভাত ৰহা কলেজ মহিলা কোষে বস্ত্ৰ ভড়াললৈ বহু মূল্যৱান পুৰণি বস্ত্ৰ দান দিয়ে। পঢ়িবলৈ দিয়া মূল্যৱান কিতাপ কেইখন হ'ল- বিশ্বৰ বহু ভাষালৈ অনুবাদ হোৱা, ভাৰত চৰকাৰৰ নেচনেল বুক ট্ৰাষ্ট ইণ্ডিয়াই প্ৰকাশ কৰা আৰু তোষপ্ৰভা কলিতাই অনুবাদ কৰা বিখ্যাত গ্ৰন্থ 'ত'ত্তʼচ্চান', ড° দীনেশ বৈশ্যৰ 'তোমালৈ লিখিছোঁ তোমাৰ বিষয়ে', নম্ৰতা দত্তৰ-উৎপল দত্তৰ 'স্বামী, স্ত্ৰী আৰু বান্ধৱী'। দ্বীজেন নাথৰ 'আইৰ কথা মোৰ ভাষা' শীৰ্ষক গ্ৰন্থ।

# অনুৰাগ সাহিত্য বঁটা ২০২৫ ঘোষণা

**ভূষিতা দাস, বজালী ঃ** বজালীৰ অগ্ৰণী সাহিত্যানুষ্ঠান অনুৰাগ সাহিত্য আলোচনীয়ে সাহিত্যৰ ক্ষেত্ৰত প্ৰতি বছৰে আগবঢ়াই অহাৰ দৰে এইবেলিও ঘোষণা কৰিছে অনুৰাগ সাহিত্য বঁটা ২০২৫। এক বিবৃত্তিযোগে অনুৰাগৰ মুখ্য সম্পাদিকা বিজু দাসে জনোৱা অনুসৰি শিৱসাগৰ জিলাৰ বাসিন্দা কবি উপন্যাসিক কিশোৰ মনজিত বৰাক পূৰ্বাচল প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত উপন্যাস 'পখী উৰি যায়'ৰ বাবে অনুৰাগ সাহিত্য বঁটা ২০২৫ৰ বাবে বিবেচিত কৰা হৈছে। মৰিগাঁও জিলাৰ বাসিন্দা তথা অসমৰ আগশাৰীৰ কবি প্ৰজ্ঞানজ্যোতিলৈ পাঞ্চজন্য প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত কাব্যগ্ৰন্থ 'জুহালৰ কথকতা'ৰ বাবে আগবঢ়োৱা হৈছে অনুৰাগ কাব্য সাহিত্য বঁটা ২০২৫। গোৱালপাৰা জিলাৰ বিশিষ্ট কবি উৎপল কলিতাক প্ৰান্তিক সাতসৰী প্ৰকাশ গৰীয়সী দৈনিক অসম আদি আগশাৰীৰ কাকত আলোচনীত প্ৰায় দুই দশক ধৰি কৰি অহা নিৰবিচ্ছিন্ন নীৰৱ কাব্য সাধনাৰ বাবে আগবঢ়োৱা হৈছে অনুৰাগ কাব্য সাধক বঁটা ২০২৫। আনহাতে 'শেষ নিশাৰ সাধু' কাব্যগ্ৰন্থৰে প্ৰতিশ্ৰুতি বহন কৰা বন্ধুচাকি বঁটা বিজয়ী কবি বজালী নিৱাসী বিভা দেৱীলৈ আগবঢ়োৱা হৈছে অনুৰাগ নিষ্ঠাৱান কাব্যচৰ্চাকাৰী বঁটা ২০২৫। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি অনুৰাগৰ মুখ্য সম্পাদিকাই জানিবলৈ দিছে।

# অসম মহোৎসৱত কবি স্বপ্না বৰঠাকুৰৰ সাম্প্ৰতিক পটভূমিৰ নাটক 'কিবা এটা হৈ আছে' সফল মঞ্চায়ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** যোৰহাট জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত অসম মহোৎসৱৰ বাকৰিত চিত্ৰশিল্পী, কবি স্বপ্না বৰঠাকুৰৰ সাম্প্ৰতিক পটভূমিৰ নাটক 'কিবা এটা হৈ আছে' সফল আৰু সুন্দৰভাৱে মঞ্চায়ন হৈ যায়। নাটকখনিৰ ৰচনা আৰু পৰিচালনা স্বপ্না বৰঠাকুৰৰ। সংগীত পৰিচালনা কৰে সাংস্কৃতিক কৰ্মী মঞ্জু বৰঠাকুৰ ভট্ট, পৰিচালনা সঞ্চালক কবি, সাংস্কৃতিক কৰ্মী অনিতা পূজাৰী। নাট্য অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে বিশিষ্ট শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী, অসম মহোৎসৱৰ আয়োজক সমিতিৰ সভাপতি দিলীপ কুমাৰ বৰদলৈয়ে। উক্ত অনুষ্ঠানত সাংস্কৃতিক কৰ্মী সন্দীপ বৰঠাকুৰ, বিশিষ্ট লেখক দিব্যজ্যোতি শৰ্মা, ভাৰতীয় গণনাট্য সংঘৰ যোৰহাট জিলাৰ সভাপতি কমল শৰ্মা, লেখক, চিন্তাবিদ মুনীন বৰঠাকুৰ, লেখিকা আৰু সমাজ সংগঠক দীপাঞ্জলি ভড়ালী বৰাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, নাটখন উপভোগ কৰি বিশিষ্ট অতিথিৰ লগতে নাট্য অনুৰাগীয়ে সাম্প্ৰতিক পটভূমিৰ অতি উপযোগী আৰু বাৰ্তাবাহী তথা ৰুচিসন্মত নাটক বুলি মত প্ৰকাশ কৰে। নাটকখনিত প্ৰায় ১৭ গৰাকী অভিনেতা-অভিনেত্ৰীয়ে সুন্দৰ অভিনয় কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

# আকাশবাণী ডিব্ৰুগড়ৰ আন্তৰ্জাতিক নাৰী দিৱসৰ কাৰ্যসূচীত বিশেষজ্ঞৰ মত

## বাগিচাৰ নাৰীয়ে মনৰ ফেন্সিং আঁতৰাব লাগিব




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** আকাশবাণী ডিব্ৰুগড়ে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে ৮ মাৰ্চ তাৰিখে 'নাৰী অধিকাৰ আৰু সবলীকৰণ' সম্পৰ্কত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিছে। পুৱা ৭.৩০ বজাৰ পৰা নিশা ১০ বজালৈকে প্ৰচাৰ হোৱা জনপ্ৰিয় অনুষ্ঠান- আজিৰ দিনটো, অন্তৰা, পাশ্চাত্য সংগীতৰ অনুষ্ঠান, কৃষক ৰাইজৰ অনুষ্ঠান, ইংৰাজী কথিকাৰ অনুষ্ঠান, নাটক আদি অনুষ্ঠানত মহিলাৰ বিভিন্ন বিষয় আলোচনা কৰা হয়। দেশৰ একেবাৰে পূৱ প্ৰান্তৰ অত্যাধুনিক তথা আটাইতকৈ শক্তিশালী কেন্দ্ৰ আকাশবাণী ডিব্ৰুগড়ে আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি যোৱা ৬ মাৰ্চ তাৰিখে মৰাণ চাহ বাগিচাৰ সহযোগত খটখটিত বৰ্ণাঢ্য কাৰ্যসূচীৰে এক বিশেষ অনুষ্ঠান আয়োজন কৰে। দিনৰ এঘাৰ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানত উপস্থিত সকলোকে নাৰী দিৱস উদ্‌যাপনৰ তাৎপৰ্য ব্যাখ্যা কৰে আকাশবাণী ডিব্ৰুগড়ৰ অনুষ্ঠান সমন্বয়ক ইন্দিৰা মৰাঙে। অনুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণত চাহ বাগিচা অঞ্চলত নাৰীৰ বিভিন্ন সমস্যা, এইবিলাকৰ কাৰণ সমূহ ফঁহিয়াই আকাশবাণী আৰু দূৰদৰ্শন ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী, বিশিষ্ট লেখক লোহিত ডেকাই সমসাময়িক বহু বিষয় সামৰি নাৰী সমাজক নিজৰ অধিকাৰ সম্পৰ্কে সজাগ কৰিবলৈ চেষ্টা কৰে। এই অনুষ্ঠানত উপস্থিত থাকে মৰাণ চাহ বাগিচাৰ জ্যেষ্ঠ সহকাৰী পৰিচালক ৰমণী ডেকা, বাগিচাখনৰ কাৰ্যবাহী বিষয়া মণ্টু বাঢ়ৈ, পথালিবাম চাহ বাগিচাৰ সহকাৰী পৰিচালক ৰাজ বাঘ আদি কেবাগৰাকীও বিশিষ্ট ব্যক্তি। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন অতি মননশীল কৰ্মশালাও অনুষ্ঠিত হয়। কৰ্মশালাখনিত নাৰীৰ স্বাস্থ্য, শিক্ষা, অন্ধবিশ্বাস দূৰীকৰণ আৰু মানৱ অধিকাৰ সম্পৰ্কে ভাষণ দি পাঁচগৰাকী সমল ব্যক্তিয়ে বাগিচাৰ নাৰী সকলক সজাগ কৰিবলৈ চেষ্টা কৰে। সেই বিষয় কেইটি আছিল ঃ অসমত নাৰী শিক্ষা ঃ সপোন আৰু বাস্তৱ, মানৱ অধিকাৰ আৰু লিংগ সমতা ৰক্ষাৰ বাবে নাৰী শিক্ষাৰ গুৰুত্ব, কৈশোৰ আৰু স্বাস্থ্য সজাগতা, গৰ্ভৱতী আৰু প্ৰসূতি মাতৃৰ যতন আৰু অন্ধবিশ্বাস আৰু সমাজত ইয়াৰ কুপ্ৰভাৱ। সমল ব্যক্তি ৰূপে উপস্থিত থাকে এএমচিৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ৰীনা আহমেদ, নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° কাকলি ভূঞা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° শ্ৰুতিধাৰা মহন্ত আৰু ড° অমৃতা প্ৰীতম গগৈ আৰু ডিব্ৰুগড়ৰ বিশিষ্ট চিকিৎসক ড° দীপক তাছা। অনুষ্ঠানত বাগিচাৰ নাৰীসকলে সমল ব্যক্তি সকলৰ লগত অন্তৰংগ আলাপত মিলিত হৈ নিজৰ সমস্যা বিলাকৰ সমাধান সূত্ৰ বিচাৰে। এই অনুষ্ঠানটিৰ বাণীবদ্ধ ৰূপ ৮-৩-২০২৫ দিনৰ ১১ বজাত প্ৰচাৰ কৰা হয়। অনুষ্ঠানত মৰাণ চাহবাগিচাৰ অতি উদ্যমী মহিলা গোটক আকাশবাণী ডিব্ৰুগড়ে সম্বৰ্ধনা জনোৱাৰ লগতে এটি ৰেডিঅ' উপহাৰ দিয়ে।

# ফুলগুৰিত বিহুনাচ-বিহুনাম আৰু লোকবাদ্য বাদনৰ কৰ্মশালাৰ প্ৰস্তুতি

**লক্ষ্যজ্যোতি বৰা ঃ** অহা ১৬ মাৰ্চ দেওবাৰৰ পৰা ৩০ মাৰ্চ দেওবাৰলৈ ফুলগুৰি আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু ৪৯ সংখ্যক ফুলগুৰি আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ সহযোগত ফুলগুৰি ৰে'ল ষ্টেচনৰ সমীপৰ নেহৰু খেল-পথাৰ বিহুতলীত বিহু-নাচ, বিহুনাম আৰু লোকবাদ্য বাদনৰ প্ৰশিক্ষণেৰে অনুষ্ঠিত হ'ব বিহু কৰ্মশালা-২০২৫। প্ৰসেনজিত কোঁৱৰ মুখ্য প্ৰশিক্ষক আৰু উৰ্বশী ডেকা ওৰফে মালাই সহযোগী প্ৰশিক্ষকৰূপে উপস্থিত থাকিবলগা উক্ত কৰ্মশালাত অতিথি প্ৰশিক্ষকৰূপে উপস্থিত থাকিব জয়াৰাণী ডেকা পাটৰ, পদুম প্ৰসাদ শইকীয়া আৰু জাগৃতি কলিতা। প্ৰতিদিনে বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'বলগা উক্ত কৰ্মশালাখনিলৈ ইচ্ছুক অংশগ্ৰহণকাৰীসকলক সাদৰেৰে আমন্ত্ৰণ জনাইছে উদ্যোক্তা সমিতিয়ে। অংশগ্ৰহণকাৰীসকলৰ সুবিধাৰ্থে যোগাযোগ নম্বৰ— মৃদুপৱন মেধি- ৮০১১৫-৫৩৪৫৪, প্ৰমোদ মেধি- ৭০০২৬-৫৩৯৩২ আৰু অনিমা মিশ্ৰ- ৭০০২২-৫৮৭৬৪।

# শিক্ষাৰ্থীসকলক শিক্ষকে নিজৰ সন্তানৰ দৰে জ্ঞান কৰা উচিত ঃ পৰেশ বৈশ্য

## উত্তৰ লখিমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয়ত শৈক্ষিক আলাপ সম্পন্ন



**দিলীপ মেধি, শুৱালকুছি ঃ** লখিমপুৰ জিলাৰ উত্তৰ লক্ষীমপুৰ টাউন মডেল স্কুলত ৩ মাৰ্চত শিক্ষাৰ্থীসকলক সৈতে এক মনোজ্ঞ শৈক্ষিক আলাপ সম্পন্ন হয়। শৈক্ষিক আলাপত ভাগ লৈ বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই কয় যে এই বিদ্যালয়খন অসমৰ এখন লেখত ল'বলগীয়া বিদ্যালয়। এক হাজাৰৰো অধিক শিক্ষাৰ্থীৰে সমৃদ্ধ এনে প্ৰাথমিক বিদ্যালয় অসমত হয়তো পাবলৈ বিৰল। এয়া অসমৰ চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থাৰ বাবে এক আশাৰ বতৰা। যিটো সময়ত শিক্ষাৰ্থীৰ অভাৱত চৰকাৰী শিক্ষানুষ্ঠান বন্ধ হ'বলৈ ধৰিছে, সেই সময়ত এই বিদ্যালয়খনে অসমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ বাবে আদৰ্শ হ'বলৈ সক্ষম হোৱা বুলি বৈশ্যই মন্তব্য কৰে। তেওঁ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতো এক আলাপত মিলিত হয়। তেওঁ শিক্ষাৰ্থীসকলক সকলো কথা বুজি শিকিবলৈ আহ্বান জনায়। তেওঁ বিদ্যালয়খনৰ প্ৰধান শিক্ষক বীৰেণ বৰাৰ নেতৃত্বত বিদ্যালয়খনে এক নতুন মাত্ৰা লাভ কৰা কাৰণে তেখেতৰো শলাগ লয়। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক উদ্দেশ্যি তেওঁ আৰু কয় যে সময় মতে বিদ্যালয়ত উপস্থিত হোৱাটো শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে অলংকাৰ। বিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক সদায় নিজৰ সন্তানৰ দৰে জ্ঞান কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলক পাঠদান কৰিবলৈও আহ্বান জনায়। শিক্ষক-শিক্ষয়িত্ৰীসকলে ভবা উচিত যে বিদ্যালয়খন আচলতে ছাত্ৰ-ছাত্ৰীৰ বাবেহে। শিক্ষক- শিক্ষয়িত্ৰীসকল হ'ল তেওঁলোকৰ বাবে অভিৰোচক। শিক্ষাৰ্থীসকলে যাতে বিদ্যালয়লৈ আহি আনন্দ অনুভৱ কৰিব পাৰে তাৰ প্ৰতি সংশ্লিষ্ট সকলোৱে চিন্তা কৰা উচিত বুলিও বৈশ্যই মন্তব্য কৰে। আলাপত ভাষণ দি বিদ্যালয়খনৰ প্ৰধান শিক্ষক বীৰেণ বৰাই কয় যে এই বিদ্যালয়খনে প্ৰতিষ্ঠাৰ কালৰ পৰাই এচাম প্ৰতিভাৱান মানৱ সম্পদ সৃষ্টি কৰি আহিছে। এই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে অতি সম্প্ৰতি বিশ্বৰ বিভিন্ন দেশত সুনাম অৰ্জন কৰা বুলিও তেওঁ মন্তব্য কৰে। আলোচনাৰ অন্তত বৈশ্যই বিদ্যালয়খনে ল'ব পৰা ভালেমান শৈক্ষিক পদক্ষেপৰ কথা উল্লেখ কৰে। আলাপ অনুষ্ঠানত বিদ্যালয়খনে বৈশ্যক ফুলাম গামোচাৰে সাদৰ-সম্ভাষণ জনায়। প্ৰধান শিক্ষক বীৰেণ বৰাই শলাগৰ শৰাই আগবঢ়াই কয় যে শিক্ষাবিদ পৰেশ বৈশ্যৰ সোণসেৰীয়া পৰামৰ্শই বিদ্যালয়খনক নতুন দৃষ্টিভংগীৰে আগুৱাই যোৱাত বিশেষভাৱে সহায় কৰিব। তেওঁ ভৱিষ্যতেও বৈশ্যক বিদ্যালয়খনলৈ আহি প্ৰয়োজনীয় শৈক্ষিক দিহা দিবলৈ অনুৰোধ জনায়।

# শুৱালকুছিত কাবাডী প্ৰশিক্ষণ শিবিৰৰ সামৰণি



**দিলীপ মেধি, শুৱালকুছি ঃ** স্পোৰ্টছ একাডেমী অফ শুৱালকুছিৰ উদ্যোগত, সদৌ অসম কাবাডী সন্থা আৰু অসম চৰকাৰৰ ৰাজ্যিক পৰ্যায়ৰ পৰামৰ্শদাতা সমিতি ছাত্ৰ আৰু যুৱ কল্যাণৰ সযোগত শুৱালকুছি মাধৱদেৱ ক্ষেত্ৰত যোৱা ২৩ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা কাবাডী প্ৰশিক্ষণ শিবিৰৰ সামৰণি পৰে। কাবাডী প্ৰশিক্ষক মানস জ্যোতি চেতিয়াই আগবঢ়োৱা এই প্ৰশিক্ষণত শিবিৰত একাডেমীখনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শুৱালকুছি আৰু সমীপৱৰ্তী অঞ্চলৰ প্ৰায় ৭০গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। সামৰণিৰ দিনা নাৰেংগী ছোৱালী কাবাডী দল আৰু শুৱালকুছি স্পোৰ্টছ একাডেমিৰ মাজত এখন প্ৰদৰ্শনীমূলক প্ৰীতিখেল অনুষ্ঠিত হয়। খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে খেলুৱৈ আৰু প্ৰশিক্ষক তথা খেল পৰিচালকসকলৰ লগত চিনাকি হয় শুৱালকুছি সাংবাদিক সন্থাৰ সভাপতি দিলীপ মেধি, সাংবাদিক দিপু গোপী আৰ দাস আৰু সমাজকৰ্মী অৰূপ দাসে। অনুষ্ঠানটিৰ আঁত ধৰে স্পোৰ্টছ একাডেমিখনৰ মুৰব্বী ৰূপক বৈশ্যই। এই প্ৰশিক্ষণৰ জৰিয়তে নতুন খেলুৱৈসকলক কাবাডী খেলৰ সৈতে চিনাকি কৰি দিয়াৰ লগতে এই অঞ্চলৰ পৰা নতুন প্ৰতিভা সৃষ্টিৰ এক লক্ষ্য লোৱা হৈছে বুলি স্পোৰ্টছ একাডেমী অফ শুৱালকুছিৰ সম্পাদক উৎপল কলিতাই জানিবলৈ দিয়ে।

# সপোনৰ সমাধি

■ **নাচিমা য়াচমিন,** বিশ্বনাথ চাৰিআলি

সন্ধ্যাই তাইৰ হৃদয় গভীৰত থকা গোপন সপোনবোৰক নিজ হাতেৰে সমাধিস্থ কৰিছে কেৱলমাত্ৰ নিজৰ জন্মদাতা পিতৃৰ সপোনক বাস্তৱত ৰূপান্তৰিত কৰিবলৈ। দেউতাকে তাইৰ বাবে বহুতো ত্যাগ কৰিছে।

তাৰ বিনিময়ত তাই বহু কিবাই দহন কৰিবলগা হৈছে জ্বলন্ত অগ্নিশিখাত।

যেনে - নিজৰ ভৰিত থিয় দিয়া, শিক্ষয়িত্ৰী হিচাপে নিজকে প্ৰতিষ্ঠা কৰা, আটাইতকৈ বিষাদপূৰ্ণ তাইৰ ভালপোৱা, অনুৰাগ।

হঠাৎ এদিন দেউতাকে তাইক মাতি আনি ক'লে...

ঃ মাজনী, সৰুৰে পৰাই তুমি যি বিচাৰিছা মই কেতিয়াও মানা কৰা নাছিলোঁ। আজি যদি মই কিবা বিচাৰোঁ তোমাৰ পৰা, দিবা নে?

ঃ কি বস্তু দেউতা?

কিয় নিদিম আকৌ নিশ্চয় দিম।

আপুনি নিজেও জানে, এইখন পৃথিৱীত মই আটাইতকৈ বেছি ভালপোৱা মানুহজন হ'ল আপুনি।

ঃ কথা দিয়া আগতে .. মই যি বিচাৰিম দিবা বুলি

ঃ দেউতা, মই কিবা এটা বস্তু বিচৰাৰ লগে লগেই তুমি আনি মোৰ আগত হাজিৰ কৰি দিয়া।

মই দুবাৰ কোৱাৰ প্ৰয়োজন নপৰে।

তেন্তে মোৰ পৰা বিচাৰিবলৈ কিয় সংকোচ কৰি আছে?

কওঁক দেউতা,

ঃ বিপ্লৱ ল'ৰাটো ভাল। মোৰ বৰ পছন্দৰ। তোমাৰ উপযুক্ত। তাৰ বাহিৰে মই অন্য কাৰোবাক তোমাৰ উপযুক্ত জীৱন সংগী হিচাপে ভাবিবই নোৱাৰোঁ। মই বিচাৰোঁ তুমি তাৰ লগত বিয়া পাতি সংসাৰ কৰা।

সন্ধ্যাৰ মূৰৰ ওপৰত আকাশখন সহি পৰাৰ দৰে লাগিলে।

বুকুৰ মাজত চিৰিংকৈ বিষ অলপ অনুভৱ হৈছে।

দেউতা আপুনি যদি মোৰ পৰা মোৰ জীৱটো বিচাৰিলে হয়, মই আনন্দ মনেৰে দি দিলোঁ হয় আপোনাৰ হাতত।

কিন্তু এইয়া আপুনি কি বিচাৰিলে?

মই কেনেকৈ বিপ্লৱৰ সৈতে বিয়া পাতিব পাৰোঁ?

মোৰ গোটেই হৃদয় জুৰি কেৱল যে অনুৰাগৰ বসবাস।

মই তাক ভাল পাওঁ, অন্যৰ লগত সংসাৰ কেনেকৈ কৰোঁ?

তাই মনতে কথাবোৰ ভাৱি আছে।

দেউতাকক এতিয়া তাই কি উত্তৰ দিব?

তাই দেউতাকক বহুত বেছি ভাল পায়।

কিন্তু অনুৰাগৰ প্ৰতি থকা ভালপোৱাখিনিও যে কম নহয়।

দুয়োজন পুৰুষেই তাইৰ জীৱনত গুৰুত্বপূৰ্ণ।

ভগৱান তুমি মোক এইয়া কোন পৰিস্থিতিৰ মুখামুখি কৰিলা?

এতিয়া মই কাক বাচি ল'ম?

কাক এৰিম?

মই যে একো বুজি পোৱা নাই...

ঃ কি হ'ল মাজনি, ৰাখিবা নে মোৰ কথা?

মোক তুমি বহুত ভাল পোৱা, সন্মান কৰা।

মই জানো। এইয়া ধৰা সেই সন্মানৰ পৰীক্ষাহে মাত্ৰ।

চাওঁ তুমি উত্তীৰ্ণ হ'ব পাৰা নে নাই...?

টেবুলৰ ওপৰত থকা পানী গিলাচ তাই একে ধুকে খাই ল'লে।

ঃ দেউতা, আপোনাৰ কোনো কথাৰ আজিলৈকে মই অবাধ্য হৈছোঁ জানো?

আপুনি যি ভাল বুজে তাকেই হ'ব। আপোনাৰ সুখেই মোৰ সুখ।

ঃ that's my little angel..

মই জানো নহয়, মোৰ মাজনীয়ে মোৰ সিদ্ধান্তক কেতিয়াও অৱজ্ঞা নকৰে।

ঃ হয় দেউতা। পিছে মোৰ পঢ়া শুনাৰ কি হ'ব, মোৰ সপোন...?

ঃ বিপ্লৱৰ টকা পইছাৰ কোনো আকাল নাই আৰু মোৰ সকলো সম্পত্তিৰ উত্তৰাধিকাৰী তুমিয়েই নহয় জানো।

সকলো তোমাৰ যিহেতু চাকৰি কৰি কষ্ট কৰাৰ কি দৰকাৰ?

মই সকলো সম্পত্তি অতি সোনকালেই তোমাৰ আৰু বিপ্লৱৰ নামত লিখি দি আজৰি হ'ম বুলি ভাবিছোঁ।

ঃ যোৱা মা, ৰূমলৈ যোৱা ।

দেওবাৰে বিপ্লৱ আহিব মা-দেউতাক লগত লৈ।

তুমি সাজু হৈ থাকিবা দেই মাজনী।

ঃ ঠিক আছে দেউতা।

ৰূমলৈ গৈ সন্ধ্যাই বিচনাত পৰি শব্দ বাহিৰ নোহোৱাকৈ গাৰোৰে মুখ ঢাকি কান্দি থাকিল।

মোবাইল ফোনটো বাজি উঠাত তাই ভয়তে কপি আছে।

অনুৰাগক তাই কেনেকৈ জনাব এই কথা?

তাক প্ৰতাৰণা কৰাৰ অপৰাধত সি কিমান ডাঙৰ শাস্তি দিব পাৰে বাৰু তাইক?

মোক ক্ষমা কৰিবা অনুৰাগ, মই তোমাক দিয়া কথা ৰাখিব নোৱাৰিলোঁ।

কল আকৌ বাজি উঠিল।

এইবাৰ তাই ৰিচিভ কৰিলে...

ঃ কি হৈছে জানজনী?

কল কিয় ৰিচিভ কৰা নাছিলা?

ঃ অনুৰাগ...

ঃ কোৱা না।

এফালৰ পৰা সকলো কথা তাই কৈ গ'ল।

ঃ অনুৰাগ, মই কি কৰিম তুমিয়েই কোৱা?

মায়ে মোক জন্ম দিয়েই অকলশৰীয়া কৰি এৰি থৈ গৈছিল। দেউতাই মোক বৰ কষ্টৰে ডাঙৰ দীঘল কৰিছে।

মোৰ কথা চিন্তা কৰি দ্বিতীয় বিয়াৰ নামো মুখলৈ নানিলে।

সৰুৰে পৰাই মোক মা-দেউতা দুয়োৰে মৰম দিছে।

কেতিয়াও মাৰ দুখ অনুভৱ কৰিব দিয়া নাই।

যেতিয়াই যি বিচাৰিছোঁ তাকেই আনি দিছে।

কোনো বস্তুৰ অভাৱ অনুভৱ কৰিব দিয়া নাই।

জীৱনত প্ৰথমবাৰ তেওঁ মোৰ পৰা কিবা এটা বিচাৰিছে।

মই না কেনেকৈ কৰোঁ?

মই স্বাৰ্থপৰ কেনেকৈ হওঁ কোৱা?

মই বহুত বেছি ভাল পাওঁ মোৰ দেউতাক।

তেওঁৰ মনত কষ্ট কেনেকৈ দিও?

ঃ আৰু মোক নোপোৱা তুমি?

ঃ পাওঁ, তোমাক বহুত ভাল পাওঁ।

তোমাক মই চাৰি বছৰ ধৰি চিনি পাওঁ, ভাল পাওঁ।

কিন্তু মোৰ দেউতাক মই চকু মেলিয়েই চিনি পাইছিলো।

ঃ মোৰ কষ্টৰ কি হ'ব?

ঃ তোমাৰ কষ্টবোৰ সময়ত প্ৰশমিত হ'ব পাৰিব।

মই নাথাকিলে অন্য কোনোবাই আহি তোমাৰ জীৱনত প্ৰৱেশ কৰিব পাৰিব। তোমাক ভাল পাব পাৰিব।

কিন্তু মোৰ বাহিৰে দেউতাৰ আপোন বুলিবলৈ কোনো নাই।

ঃ মোক যিবোৰ সপোন দেখুওৱালা তাৰ কি হ'ব...

৫ পৃষ্ঠাত

# ৰাইজৰ আস্থাহীনতাই হ'ল চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ অৱক্ষয়ৰ অন্যতম কাৰণ ঃ পৰেশ বৈশ্য




**দিলীপ মেধি, শুৱালকুছি ঃ** সমগ্ৰ শিক্ষা কামৰূপে ১১ মাৰ্চত দদৰাৰ ভৃগু কুমাৰ ফুকন প্ৰেক্ষাগৃহত আয়োজিত এক বিশেষ অনুষ্ঠানত জিলাখনৰ শ্ৰেষ্ঠ বিদ্যালয় পৰিচালনা সমিতি আৰু মাতৃ গোটক তেওঁলোকে ২০২৪-২৫ বৰ্ষত আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত সন্মানিত অতিথি হিচাপে ভাগ লৈ বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই কয় যে বিদ্যালয় এখনৰ সৰ্বাংগীণ উন্নতিত বিদ্যালয় পৰিচালনা সমিতিসমূহে অনবদ্য অৱদান আগবঢ়াব পাৰে। বিদ্যালয় এখনৰ বাবে পৰিচালনা সমিতিখনেই হ'ল এক ক্ষমতাশালী কৰ্তৃত্ব। তেওঁ কয় যে যোৱা শতিকাৰ সত্তৰৰ দশকলৈ চৰকাৰী বিদ্যালয়ৰ অৱস্থা জয়জয় ময়ময় আছিল। বিদ্যালয় সমূহ ৰাইজেই স্থাপন কৰিছিল। বিদ্যালয়সমূহৰ ওপৰত কৰ্তৃত্ব আছিল ৰাইজৰ। কিন্তু প্ৰাদেশিকীকৰণৰ পাছত ৰাইজ বিদ্যালয় ব্যৱস্থাপনাৰ পৰা ক্ৰমাৎ আঁতৰি আহিল। সমান্তৰালভাৱে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ প্ৰতি ৰাইজৰ আস্থা কমি আহিল। ৰাইজৰ আস্থাহীনতাই হ'ল চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ অৱক্ষয়ৰ কাৰণ। তেওঁ আৰু কয় যে কেৱল উন্নত বিদ্যালয় ভৱন বা আন্তঃগাথঁনিৰ উন্নতিয়েই বিদ্যালয় এখনৰ উত্তৰণৰ মাপকাঠি হ'ব নোৱাৰে। শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি পৰিচালনা সমিতি, ৰাইজ আৰু শিক্ষকসকলৰ নিস্বাৰ্থ সেৱা আৰু দায়বদ্ধতাহে এই ক্ষেত্ৰত মূল আধাৰ। তেওঁ আৰু কয় যে বিগত পাঁচ বছৰ মানত আন্তঃগাথঁনি উন্নত হোৱাৰ পাছতো বহুতো চৰকাৰী বিদ্যালয় শিক্ষাৰ্থীৰ অভাৱত বন্ধ কৰি দিব লগা হৈছে। কিন্তু তাৰ মাজতো উন্নতমানৰ শিক্ষা প্ৰদানৰ জৰিয়তে অসমৰ কেইখনমান চৰকাৰী বিদ্যালয়ে আসনৰ অভাৱত শিক্ষাৰ্থীক নামভৰ্তিৰ পৰা বিমুখ কৰাব লগা হৈছে। উদাহৰণ হিচাপে তেখেতে কয় যে উত্তৰ লখিমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয়ত এক হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে, অথচ বিদ্যালয়খনৰ আন্তঃগাথঁনিও সিমান উন্নত নহয়। কেৱল গুণগত শিক্ষা প্ৰদানৰ বাবেই তেনে বিদ্যালয়ৰ প্ৰতি ৰাইজে প্ৰদৰ্শন কৰি আহিছে গভীৰ আস্থা। বিশিষ্ট সাংবাদিক তথা অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধিৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত আদৰণী ভাষণ দি কামৰূপৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক তপন কুমাৰ কলিতাই ভাষণ দি বিদ্যালয় পৰিচালনাত পৰিচালনা সমিতি সমূহৰ ভূমিকাৰ কথা ব্যক্ত কৰে। তেওঁ বিদ্যালয় পৰিচালনা সমিতি সমূহে বিদ্যালয় উন্নয়নৰ আঁচনি ৰূপায়ণত আগভাগ ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত সমগ্ৰ শিক্ষা কামৰূপৰ জিলা আঁচনি বিষয়া ফুলপাহি নাথে সমন্বয়ক হিচাপে ভাগ লয়। সভাত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ শিক্ষাবিদ তথা হেকৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গণেশ্বৰ চহৰীয়াই বিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত আৰু চৰকাৰী ধনৰ যথোচিত ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। সভাত ভাষণ দি অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে কয় যে বিদ্যালয়বিলাক ৰাইজৰ মূল্যৱান সম্পদ। সকলোৱে বিদ্যালয়ৰ উত্তৰণৰ লগত ৰাইজ সক্ৰিয়ভাৱে জড়িত থকা উচিত। তেওঁ বিদ্যালয়ৰ ধনৰ যাতে উচিত ব্যৱহাৰ হয় সেই ক্ষেত্ৰত বিদ্যালয় পৰিচালনা সমিতিয়ে নজৰ ৰখা উচিত। তেওঁ বিদ্যালয়সমূহৰ শ্ৰীবৃদ্ধিতৰাইজৰ সেৱাই গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে বুলিও মন্তব্য কৰে। সভাত ২০২৪-২৫ বৰ্ষৰ বাবে ২২১ খন বিদ্যালয় পৰিচালনা সমিতি আৰু মাতৃ গোটক ট্ৰফি আৰু গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

# মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ ৰচিত কীৰ্ত্তন-ঘোষাত প্ৰতিফলিত ভক্তিতত্ত্ব

■ **প্ৰাণ প্ৰতিমা বড়া,** গুৱাহাটী

কীৰ্ত্তন-ঘোষা মহাপুৰুষ শংকৰদেৱৰ ধৰ্মীয় আৰু সাহিত্যিক জীৱনৰ অক্ষয় কীৰ্ত্তিস্বৰূপ। কীৰ্ত্তন-ঘোষা প্ৰধানকৈ এখন আখ্যান প্ৰধান গ্ৰন্থ। কীৰ্ত্তন-ঘোষা বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ ভিতৰত অন্যতম। কীৰ্ত্তনৰ বিভিন্ন আখ্যানসমূহৰ জৰিয়তে ভক্তিতত্ত্বক প্ৰাধান্য দিয়া হৈছে। ভক্তিৰ মাজেৰে ভক্তসকলৰ আচাৰ-নীতি উল্লেখ আছে কীৰ্ত্তন পুথি। ভক্তিৰ মাধ্যমেৰে ভগৱান সন্তুষ্ট হয় আৰু ভক্তৰ সৈতে মিলিত হয়। ভক্তিৰ মাধ্যমেৰে ভক্তসকলে আত্মিক শান্তি লাভ কৰে। ভক্তিৰ মাধ্যমেৰে ভক্তই ভগৱানৰ চৰণত আত্মসমৰ্পণ কৰে। মহাপুৰুষজনাই কৈ গৈছে ভক্তিৰ ক্ষেত্ৰত কোনো জাতি, বৰ্ণ, লিংগৰ ভেদ থাকিব নোৱাৰে। ভক্তিৰ ক্ষেত্ৰত ধন-ঐশ্বৰ্যৰো প্ৰয়োজন নাই। প্ৰহ্লাদ চৰিত্ৰত কোৱা হৈছে-

"তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ"।।

কীৰ্ত্তন পুথিৰ সমল হৈছে -শ্ৰীমদ্ভাগৱতপুৰাণ,পদ্মপুৰাণ, বৃহন্নাৰদীয় পুৰাণ। সুত সংহিতা, ভাগৱত বিষ্ণু ধৰ্মোত্তৰ আগম, ব্ৰহ্মপুৰাণ আদি।

কীৰ্ত্তনৰ প্ৰহ্লাদ চৰিত্ৰত আছে---

শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুৰ
কৰিব দেহা অৰ্পণ।।

মহাপুৰুষজনাই কীৰ্ত্তন পুথিত নৱিধ ভক্তিৰ কথা উল্লেখ কৰিছে। সেই নৱিধ ভক্তি হৈছে- শ্ৰৱণ, কীৰ্ত্তন,স্মৰণ। পাদসেৱন, অৰ্চন, বন্দন, দাস্যভাৱ, সখ্য আৰু আত্মনিবেদন। এই নৱিধ ভক্তিৰ মাধ্যমেৰে ভগৱানক পোৱা যায় বুলি মহাপুৰুষজনাই উল্লেখ কৰিছে। এই নৱিধ ভক্তিৰ ভিতৰত উৎকৃষ্ট হৈছে শ্ৰৱণ আৰু কীৰ্ত্তন।

কীৰ্ত্তন পুথিত গুৰুজনাই উল্লেখ কৰিছে-

"শ্ৰৱণ কীৰ্ত্তন কৰিবেক নিৰন্তৰ
সমস্ত ভূতকে দেখিবেক নাৰায়ণ।"

মহাপুৰুষজনাই কৈছে সমস্ত ভূতকে নাৰায়ণ বুলি মানি লৈ ভক্তিত আত্মনিবেদন কৰিবলৈ কৈছে। ভগৱানৰ পৰম সত্যক উপলব্ধি কৰিবলৈ জ্ঞানতকৈ ভক্তিৰ মাহাত্ম্যহে অধিক গুৰুত্বপূৰ্ণ বুলি কৈছে। ভগৱান কৃষ্ণৰ নাম, লীলা, গুণ আদিৰ উচ্চাৰণ কৰায়েই কীৰ্ত্তন। কীৰ্ত্তন পুথিৰ আখ্যানসমূহৰ জৰিয়তে মহাপুৰুষজনাই 'ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়' বুলি মানি লৈ ভগৱান কৃষ্ণৰ মাহাত্ম্য উল্লেখ কৰিছে। সমাজৰ জাতিভেদ, অনৈক্যতাআদি আতঁৰাই হৰিনামৰ শ্ৰৱণ কীৰ্ত্তনকে ধৰি নৱিধ ভক্তিৰ জৰিয়তে কীৰ্ত্তনৰ মাধ্যমেৰে শূদ্ৰ-অন্ত্যজ আদি নিম্ন শ্ৰেণীক আকোঁৱালি লৈ এখন সংস্কাৰপূৰ্ণ সমাজ গঢ়ি তুলিবলৈ অপ্ৰাণ চেষ্টা চলাই গৈছিল মহাপুৰুষজনাই। কীৰ্ত্তন-ঘোষাৰ আখ্যানসমূহৰ জৰিয়তে জনসাধাৰণৰ মাজত নীতি শিক্ষা আৰু ধৰ্মৰ শিক্ষা দিয়াটোৱেই তেওঁৰ মূল উদ্দেশ্য আছিল। কীৰ্ত্তন-ঘোষা পুথিখন অসমীয়া জাতীয় জীৱনৰ সৰ্বশ্ৰেষ্ঠ ভক্তিতত্ত্ব পুথি হিচাপে স্বীকৃতি দিব পাৰি।

**ম'বাইল ঃ** ৭৩৯৯৯-২৪৬৫৮

# ডিব্ৰুগড় জিলাৰ খোৱাঙত ৰাজ্য চৰকাৰৰ উদ্যোগত সোণোৱাল কছাৰীৰ বাইথ' পূজা উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** অসমৰ তৃতীয় বৃহৎ জনজাতি সোণোৱাল কছাৰীসকলৰ বাইথ' সাংস্কৃতিক পৰম্পৰাৰে সোণোৱাল সমাজত কৃষিভিত্তিক উৎসৱ প্ৰাণৰ বিহু আৰম্ভ হ'ল। দেওবাৰে দেও নমোৱা আৰু দেৱতা আহ্বান, সোমবাৰে বাইথ' দেৱতাক পূজা দিয়াৰ পিছত তৃতীয়টো দিনত ডাঙৰীস্থিত জনজাতিটোৰ মূল বাইথ' মন্দিৰত হাইদাং গীতৰ অৰ্চনাৰে, হুঁচৰি আৰু ওঠৰ কোঁৱৰ-কুঁৱৰীয়ে লগ বিহুৰে মৰ্ত্যলৈ বিহু নমাই সোণোৱালসকলক উচ্ছাসিত কৰে। সমান্তৰালভাৱে ৰাজ্যৰ প্ৰতিখন জিলাৰ প্ৰতিখন সোণোৱাল কছাৰী গাঁৱত বাজিব ঢোল, আখৰা চলিব লগবিহু আৰু হুঁচৰিৰ। ইয়াৰ পৰৱৰ্তী সময়ত ব'হাগ মাহত গৰখীয়া ল'ৰাহঁতে মেদিনী কঁপাই বিহু মাৰি পৃথিবী উৰ্বৰা কৰিব আৰু খ্ৰীং খ্ৰীং বাইথ' দেৱতাৰ আশিষ লভি গাঁৱৰ সমাজে এলাহ গুচাই শ্ৰদ্ধা বঢ়াই কৃষিকৰ্ম আৰম্ভ কৰিব। আনহাতে জনজাতিটোৰ এই উৎসৱ এইবাৰ ৰাজ্য চৰকাৰে সাংস্কৃতিক পৰিক্ৰমা বিভাগ, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ যৌথ উদ্যোগত আৰু পশ্চিম ডিব্ৰুগড় খ্ৰীং খ্ৰীং বাইথ' পূজা সমিতিৰ সহযোগত খোৱাং আঠাবাৰীস্থিত খ্ৰীং খ্ৰীং বাইথ' মন্দিৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। পৰম্পৰা অনুসৰি আঠাবাৰীতো দেওবাৰে দেও নমোৱা অনুষ্ঠানৰ পিছতে সোমবাৰে অনুষ্ঠিত হয় মূল পূজা। মঙ্গলবাৰে, খ্ৰীং খ্ৰীং বাইথ' পূজাৰ অন্যতম কাৰ্যসূচী সোনোৱাল কছাৰীসকলৰ বিহু নমোৱা অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পিছতে অনুষ্ঠিত মুকলি সভাত ভাষণ প্ৰদান কৰি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ মন্ত্ৰী মন্ত্ৰী বিমল বড়াই কয় যে সংস্কৃতিয়ে সদায় মানুহক এক কৰে। দুস্কৃতিৰ লগত যুঁজত সদায় যিহেতু সংস্কৃতিৰেই জয় হয় সেইবাবে এনে পৰিশীলিত সংস্কৃতি চৰ্চা আমাৰ প্ৰয়োজন। কিন্তু সংস্কৃতি মানে কেৱল গীত-মাত বুলি ভৱাটো উচিত নহয়। সোনোৱাল সমাজৰ বাইথ' পূজাৰ এক সুকীয়া তাৎপৰ্য আছে বুলি ভাষণত উল্লেখ কৰি তেওঁ কয় যে এই পূজা কেৱল নিজৰ বাবে কৰা পূজা নহয়। চাৰি মুঠি জীৱ অৰ্থাৎ উৰণ, বৰণ, গজন আৰু ভ্ৰমণ এই চাৰিমুঠি জীৱৰ কল্যাণৰ নিমিত্তে কৰা হয়। এনেধৰণৰ সংস্কৃতিসমূহক কেন্দ্ৰ কৰি মূল বিষয়টো তুলি ধৰাৰ বাবে ৰাজ্য চৰকাৰে এই পূজা আয়োজন কৰি আহিছে বুলিও তেওঁ ভাষণত উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণত এনেধৰণৰ সংস্কৃতিবোৰ ৰক্ষা কৰাত সংশ্লিষ্ট সকলোৱে দায়বদ্ধতা থকাৰ প্ৰয়োজনৰ লগতে নতুন চিন্তা, উপস্থাপনেৰে বিশ্ববাসীৰ আগত তুলি ধৰিব লাগে বুলিও উল্লেখ কৰে। সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে আদৰণী ভাষণত পৰিষদৰ উদ্যোগত ৰাজ্যখনৰ বিভিন্ন স্থানত মুঠ ৩৩টা বাইথ' মন্দিৰ নিৰ্মাণ কৰা হৈছে বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে বাইথ' সংস্কৃতিৰ চৰ্চা চলি থকা বুলিও উল্লেখ কৰে। অভ্যৰ্থনা সমিতিৰ হৈ পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা স্থানীয় খোৱাং সমষ্টিৰ সদস্য দিপুৰঞ্জন মাক্ৰাৰীয়েও বক্তব্য আগবঢ়োৱা সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বাইথ' সংস্কৃতিৰ সাধক ডাঃ জীতেন বড়াই বাইথ' পূজাৰ তাৎপৰ্য উল্লেখ কৰি সোণোৱালৰ লগ বিহুৰ যি মৰ্যদা সেয়া আন বিহুৰ স'তে পৃঠক বুলি গণ্য কৰি তাক বিকৃত নকৰিবৰ বাবে আহ্বান জনায়। সভাত মহানন্দ সোণোৱালৰ সম্পাদিত স্মৃতিগ্ৰন্থ 'বৰম বাহু' উন্মোচন কৰে মন্ত্ৰী বিমল বৰাই। উক্ত সভাতেই সোণোৱাল জনজাতিৰ সমাজ-সংস্কৃতিৰ স'তে জড়িত আৰু ভিন্ন কৃষ্টিৰ চৰ্চা অব্যাহত ৰখা ক্ৰমে দুৰ্গেশ্বৰ সোণোৱাল (দীঘলা), ৰহেশ্বৰ সোণোৱাল, অন্নদা সোণোৱাল, ৰেখা বড়া, অৰুণ চেলেং, কোযেশ্বৰ চেলেং, কৰুণা শইকীয়া, হেমদা শইকীয়া, প্ৰেমদা হাজৰিকা, ফনীন্দ্ৰনাথ দাস, আনন্দ বৰুৱা, দয়াল শইকীয়াক মানপত্ৰ, সোণোৱাল গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, সোনোৱাল কছাৰী কালছাৰেল ছ'চাইটিৰ মুখ্য সচিব ভক্তি প্ৰসাদ সোনোৱাল, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, অসম গেচ কোম্পানীৰ অধ্যক্ষ ইন্দ্ৰ গগৈ, এপিএলৰ অধ্যক্ষ বিকুল ডেকাকে ধৰি জনজাতিটোৰ জাতীয় সংগঠন ক্ৰমে ছাত্ৰ সন্থা, নাৰী সন্থা, সাহিত্য সভা, জাতীয় পৰিষদৰ প্ৰতিনিধি, সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য আৰু সাধাৰণ সদস্যবৃন্দ আৰু তিনি সহস্ৰাধিক ৰাইজ উপস্থিত থাকে। সভাৰ মাজে মাজে সোণোৱালৰ লগবিহু, লেছেৰী, মিচিং, দেউৰী নৃত্যও পৰিৱেশন কৰা হয়।



# কান্দুপুৰ-বামুণপাৰাত শ্ৰীশ্ৰীবংশী গোপাল নামঘৰৰ নৱনিৰ্মিত নামঘৰ মুকলি উৎসৱ




**শৈলেন কুমাৰ, মিৰ্জা ঃ** 'পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ১৮৫৩ বৰ্ষত স্থাপিত কান্দুপুৰ বামুনপাৰা, বুদুপাৰা আৰু কমাৰপাৰা ৰাইজ গয়ৰহৰ শ্ৰীশ্ৰীবংশী গোপাল নামঘৰৰ নৱনিৰ্মিত নামঘৰ মুকলি উৎসৱটি অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা ধৰ্মধ্বজা উত্তোলন কৰে সোণাৰাম দাসে। গছপুলি ৰোপণ কৰে ভূপেন দাস আৰু ভদ্ৰেশ্বৰ দাসে। পিচত আয়তীসকলৰ দ্বাৰা জলাৰোহণ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। বংশী গোপালৰ বিগ্ৰহলৈ ধৰ্মীয় শোভাযাত্ৰা মুকলি কৰে এই ৰাইজ গয়ৰহৰ সভাপতি চন্দ্ৰধৰ দাসে, পুনৰ নিৰ্মিত দেৱগৃহৰ দ্বাৰ মুকলি কৰে নৰেন দাসে, নৱনিৰ্মিত মণিকূটৰ দ্বাৰ মুকলি কৰে নৰেশ্বৰ শৰ্মাই, হোমযজ্ঞ আৰম্ভ কৰে আনন্দ দেৱ শৰ্মা আৰু মহেন্দ্ৰ চৌধুৰীয়ে। বিয়লি ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হয়। এই সভা সঞ্চালনা কৰে মাণিক চন্দ্ৰ শৰ্মাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে দক্ষিণ কামৰূপ সত্ৰ মহাসভাৰ সভাপতি অখিল মহন্তই অংশগ্ৰহণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন দৰ্শনৰ বিষয়ত ভাষণ প্ৰদান কৰে। তেওঁ নামঘৰৰ গুৰুত্বপূৰ্ণ দিশৰ বিষয়েও কয়। বিশিষ্ট অতিথি হিচাপে দক্ষিণ কোল আঞ্চলিক সত্ৰ মহাসভাৰ সম্পাদক কিৰণ কলিতাই অংশগ্ৰহণ কৰি নামঘৰৰ জনজীৱনৰ সৈতে থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰে। সন্ধিয়া ধৰ্মধ্বজা অৱনমিত কৰা হয়। ইয়াৰ পিচত কেইবাজনো বিশিষ্ট লোকৰ দ্বাৰা বন্তি প্ৰজ্জলন কৰা হয়। মঞ্চ মুকলি কৰে অনন্ত ৰাম দাসে। পিচত জগৎগুৰু শ্ৰীমন্ত শংকৰদেৱৰ চৌতালী নামৰীয়া দল আৰু ছয়গাঁও বালিগাঁৱৰ শ্ৰীশ্ৰীবংশী গোপাল বাৰোৰাবী নামৰীয়া দলৰ নাম পৰিৱেশন কৰা হয়। পাঠক হিচাপে থাকে কিশোৰ কলিতা আৰু জগদীশ কলিতাই। এই অনুষ্ঠানতে এই ৰাইজ গয়ৰহৰ সভাপতি চন্দ্ৰধৰ দাস, কাৰ্যকৰী সভাপতি নৰেশ্বৰ শৰ্মা, সম্পাদক বাসুদেৱ শৰ্মা, কাৰ্যকৰী সম্পাদক কবীন্দ্ৰ দাস (টুটু), পলাশবাৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গজেন চন্দ্ৰ দাসকে ধৰি অঞ্চলটোৰ বিভিন্ন লোক, পুৰুষ মহিলাই অংশগ্ৰহণ কৰে।

# উৎপল বনিয়ালৈ Excellent Social Activist 2024 বৰ্ষৰ বটা প্ৰদান




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ ৰণথলি গাঁৱৰ সু-সন্তান, ৰহাৰ বিশিষ্ট সমাজকৰ্মী, লেখক, যুৱ ৰাজনীতিক তথা ডুগডুগীৰ পৰিচালন সঞ্চালক উৎপল বণিয়ালৈ DA NETWORK অসমে অলপতে গুৱাহাটী জ্যোতি চিত্ৰবন পেক্ষাগৃহত আয়োজন কৰা Golden Awards Seasons 3 নামেৰে অনুষ্ঠিত কৰা এক বৰ্ণাঢ্য অনুষ্ঠানত Excellent social Activist Award 2024 বৰ্ষৰ বটা প্ৰদান কৰে। এগৰাকী যুৱ ৰাজনীতিক হিচাপে ৰাজ্যৰ সামাজিক, শৈক্ষিক, সাংস্কৃতিক, ৰাজনৈতিক ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়োৱাৰ বাবে এই বটা প্ৰদান কৰা হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বনিয়াই ১৯ টাকৈ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বটা লাভ কৰিছিল। উৎপল বণিয়াৰ এই সাফল্যত ৰহাৰ লগতে নগাঁও জিলাৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দল-সংগঠনে অভিনন্দন জনাইছে আৰু অনাগত দিন সমূহতো সমাজৰ হকে যথেষ্ট অৱদান আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰিছে।

# টিহুৰ দৰঙ্গীপাৰাত বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ উদ্যোগত সম্বৰ্ধনা ও যোগদান সভা

## কংগ্ৰেছৰ প্ৰাক্তন আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বিজেপিত যোগদান

**শংকৰ দাস, মুকালমুৱা ঃ** নলবাৰী জিলাৰ নৱগঠিত টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ উদ্যোগত দৰঙ্গীপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত এখনি সম্বৰ্ধনা ও যোগদান সভা অনুষ্ঠিত কৰা হয়। সম্বৰ্ধনা ও যোগদান সভাত নৱ নিযুক্ত নলবাৰী জিলা বিজেপিৰ সভাপতি জয়ন্ত বুজৰবৰুৱাক বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ প্ৰতিটো বুথৰ সভাপতি, মণ্ডলৰ বিভিন্ন বিষয়ববীয়াসকলে সম্বৰ্ধনা জনোৱাৰ লগতে একেখন সভাত এক যোগদান কাৰ্যসূচী অনুষ্ঠিত কৰে। বৰক্ষেত্ৰী পশ্চিম নলবাৰী মণ্ডল বিজেপিৰ সভাপতি শৈলেন্দ্ৰ কলিতাৰ নেতৃত্বত দৰঙ্গীপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হোৱা উক্ত সভাখনত কংগ্ৰেছ দল ত্যাগ কৰি ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে এগৰাকী প্ৰাক্তন আঞ্চলিক পঞ্চায়তৰ সদস্য তথা বিভিন্ন ৰাজনৈতিক দলৰ প্ৰায় দুশ নেতা কৰ্মী। সভাখনত উপস্থিত থাকে নলবাৰী জিলা বিজেপি, মণ্ডল বিজেপি, সংখ্যালঘু মৰ্চা, মহিলা মৰ্চাৰ বিষয়ববীয়া তথা দলীয় কাৰ্যকৰ্তাসকল।



# বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ বিষয়ববীয়াৰ নাম-তালিকা ঘোষণা

**পংকজ বৰা, নগাঁও ঃ** বিজেপিৰ সভাপতি বাবুল বৰাই কলিয়াবৰ জিলা বিজেপিৰ বিষয়ববীয়া সকলৰ নাম ঘোষণা কৰে। বিজেপিৰ জিলা সভাপতি হিচাপে দ্বিতীয়বাৰৰ বাবে দায়িত্ব লাভ কৰা বাবুল বৰাই নতুনকৈ গঠিত জিলা সমিতিখনৰ বিষয়ববীয়া সকলক লগত লৈ আগন্তুক দিনত বিজেপি দলক শক্তিশালী কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিব। জিলা সভাপতিৰ দায়িত্ব লাভ কৰাৰ উপৰিও সাধাৰণ সম্পাদক হিছাপে পুনৰ অৰবিন্দ চৌধুৰী আৰু জিতেনজিৎ গৌৰৰ নাম ঘোষণা কৰাত উৎফুল্লিত হৈ পৰিছে তৃণমূল পৰ্যায়ৰ কৰ্মীসকল। উল্লেখযোগ্য যে জিলা সভাপতি বাবুল বৰাই সকলো কৰ্মীৰ লগত লৈ সন্মিলিত প্ৰচেষ্টাৰে দলৰ হৈ কাম কৰাত এতিয়া কলিয়াবৰ জিলাত বিজেপিৰ স্থিতি শক্তিশালী হৈ পৰিছে।



# মুকালমুৱাৰ পূৰাণ আখিয়া গোপাল নামঘৰত গুৰু আসন প্ৰতিষ্ঠা



**শংকৰ দাস, মুকালমুৱা ঃ** মুকালমুৱাৰ পূৰাণ আখিয়া গোপাল নামঘৰত গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। ১৯১০ চনত পূৰাণ আখিয়া গাঁৱত স্থাপিত নামঘৰটো পুনৰ নিৰ্মান কৰি গুৰু আসন প্ৰতিষ্ঠা কৰে। তদুপলক্ষে দিনজোৰা ধৰ্মীয়, মাংগলিক আৰু সাংস্কৃতিক অনুষ্ঠানেৰে অনুষ্ঠিত হয় কাৰ্যসূচী। পুৱা ধৰ্মধ্বজ্জা উত্তোলন কৰে গাঁও পৰিচালনা সমিতিৰ সভাপতি উমেশ মেধিয়ে। নামঘৰ চৌহদত গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত বতৰ বিজ্ঞানী পূৰ্ণ চন্দ্ৰ বৈশ্যই। ন-ৰূপেৰে সজাই তোলা নামঘৰত গুৰু আসন প্ৰতিষ্ঠা কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ, বৰক্ষেত্ৰী আঞ্চলিক শাখাৰ সভাপতি বীৰেন্দ্ৰ মেধিয়ে। পৰৱৰ্তী কাৰ্যসূচী মৰ্মে নামঘৰত নামাচাৰ্য লক্ষেশ্বৰ বড়োৰে নাম প্ৰসংগ অনুষ্ঠিত কৰে। দুপৰীয়া ভাগৱত পাঠ কৰে ধীৰেন মেধিয়ে। তাৰ পিছত প্ৰসাদ বিতৰণ, সম্বৰ্ধনা অনুষ্ঠান, প্ৰীতি ভোজন, আবেলি সভা ঘৰৰ মুখ্য দুৱাৰ উন্মোচন কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে। সন্ধিয়া বন্তি প্ৰজ্জলন কৰে নলবাৰী জিলা আয়ুক্ত বৰ্ণালী ডেকাই আৰু নিশা নাগাৰা নাম পৰিৱেশন কৰে নাগাৰা নামৰ পাঠক বিনয় ৰাজকুমাৰে।

*তিনি পৃষ্ঠাৰ পৰা*

# সপোনৰ সমাধি

ঃ মই যেনেকৈ মোৰ সকলো সপোনক সমাধি দি কৃত্ৰিম হাঁহি এটিক আঁকোৱালি লৈছোঁ।
তুমিও লোৱা, ল'ব লাগিব অনুৰাগ।
অলপ সময় দুয়ো ফালে মৌনতা।
সন্ধ্যাই কোৱা কথাবোৰ মিছা নহয়, সিহঁতৰ ভাল পোৱাখিনিও মিচা নহয়।
মিছলীয়া এই সময়বোৰ, পৰিস্থিতিবোৰ।
দেউতাক এক কথাৰ মানুহ, অনুৰাগে ভালদৰেই জানে।
এবাৰ কিবা এটা সিদ্ধান্ত লৈছে যেতিয়া তাৰ সলনি নহয়।
মৌনতাৰ অৱসান ঘটাই অনুৰাগে ক'লে,
ঃ শেষবাৰৰ বাবে মোক লগ কৰিব পাৰিবা নি জান?
তোমাক দুবাহুৰ মাজত আকোঁৱালি লৈ মনে বিচৰা লৈকে কান্দি ল'ম শেষ বাৰলৈ।
চকু ভৰাই তোমাক চাম।
এবাৰ বেলেগৰ নামত সেন্দুৰ পিন্ধিলে তোমাক চাব বিচাৰিলেও যে পাপ হ'ব।
ঃ I'm sorry অনুৰাগ...
মই তোমাৰ আগত থিয় দিব নোৱাৰিম।
ঃ প্লিজ সন্ধ্যা।
শেষবাৰৰ বাবে পাঁচটা মিনিট দিয়া না মোক।
ঃ হুম।
তাই কল কাটি দিলে।
নোৱাৰিলে আৰু অনুৰাগৰ কান্দোনৰ স্বৰ শুনি থাকিব।
কিছু দিনৰ পাছত তাই নিজৰ সপোনৰ সমাধিৰ ওপৰত দেউতাকৰ কথা মতে ঠিক কৰা ল'ৰাৰ সৈতে সংসাৰ নামৰ অধ্যায়ৰ পাতনি মেলিলে।
সকলো পাহৰা সম্ভৱ নহয় কিন্তু দেউতাকৰ সিদ্ধান্তক ভুল প্ৰমাণিত হ'বলৈ দিব নোৱাৰে তাই। কোনোপধ্যেই নোৱাৰে।

ম'বাইল ঃ ৭০৯৯৩-৮৯৭৫৫

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

সত্যমেৱ জয়তে
অসম চৰকাৰ
হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়

নাৰী সবলীকৰণৰ এক অবিৰত যাত্ৰা

# স্বনিৰ্ভৰ নাৰী

অসম চৰকাৰৰ দ্বাৰা ৰূপায়িত এক ধ্বজাবাহী আঁচনি

অসমৰ শিপিনীসকলক ন্যূনতম সমৰ্থন মূল্যত বস্ত্ৰ বিক্ৰীৰ সুবিধা প্ৰদানৰ উদ্দেশ্য আগত ৰাখি বিগত বৰ্ষৰ দৰে এইবাৰো শিপিনী আৰু উদ্যোগীসকলৰ পৰা সমগ্ৰ অসমৰ বিভিন্ন জিলাত স্থাপন কৰা ২৯ টা ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ৫,০০,০০০ খন গামোচা ক্ৰয়ৰ প্ৰক্ৰিয়া ১ মাৰ্চ ২০২৫ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে।



শ্ৰী ইউ জি ব্ৰহ্ম
মাননীয় মন্ত্ৰী, হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগ, অসম

## এই আঁচনিৰ অধীনত আগবঢ়োৱা সুবিধাসমূহ ঃ

১ অনলাইন প'ৰ্টেলৰ জৰিয়তে শিপিনীসকলৰ পঞ্জীয়ন, ক্ষেত্ৰভিত্তিক পৰীক্ষণ আৰু প্ৰমান-পত্ৰৰ সুবিধা।

২ হস্ততাঁত খণ্ডৰ লগত জড়িত উদ্যোগীসকলৰ পঞ্জীয়ন, ক্ষেত্ৰভিত্তিক পৰীক্ষণ আৰু প্ৰমান-পত্ৰৰ সুবিধা।

৩ হস্ততাঁত খণ্ডৰ লগত জড়িত ব্যৱসায়ীসকলৰ পঞ্জীয়ন, ক্ষেত্ৰভিত্তিক পৰীক্ষণ আৰু প্ৰমান-পত্ৰৰ সুবিধা।

৪ হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ আৰু হস্ততাঁত প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ পঞ্জীয়নৰ ব্যৱস্থা।

৫ অসমৰ বিভিন্ন জিলা আৰু মহকুমা পৰ্যায়ত স্থাপন কৰা অস্থায়ী ক্ৰয় কেন্দ্ৰৰ জৰিয়তে বস্ত্ৰ সামগ্ৰী ক্ৰয়কৰণ।

৬ অনলাইন প'ৰ্টেলৰ জৰিয়তে পঞ্জীকৃত ব্যৱসায়ীসকলে নিৰ্ধাৰিত মূল্যত বস্ত্ৰ সামগ্ৰী কিনাৰ ব্যৱস্থা।

৭ ক্ৰয় কৰা সামগ্ৰীৰ বিপৰীতে বিক্ৰীমূল্য পোনপটীয়াকৈ শিপিনীৰ বেঙ্ক একাউণ্টত জমা কৰাৰ সুবিধা।

৮ ক্ৰয় কৰা সামগ্ৰীৰ লগত সংলগ্ন QR Code ৰ জৰিয়তে সামগ্ৰীৰ উৎস আৰু উৎপাদকৰ সবিশেষ জনাৰ সুবিধা।

এই আঁচনিৰ অধীনত এতিয়ালৈকে ৫,৬৪,৮১১গৰাকী শিপিনীয়ে নাম পঞ্জীয়ন কৰিছে। ইতিমধ্যে ১৯,২৪,৭৫,৪৮২ টকা মূল্যৰ ৫,৫৪,৮৯২ সংখ্যক পৰম্পৰাগত বস্ত্ৰসামগ্ৰী ক্ৰয় কৰি আৰ্টফেড আৰু অসম চৰকাৰৰ বেচা-কিনা নিগমৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

সবিশেষ জানিবৰ বাবে আৰু পঞ্জীয়নৰ বাবে স্বনিৰ্ভৰ নাৰী আঁচনিৰ প'ৰ্টেল www.swanirbharnaari.assam.gov.in দৰ্শন কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in

Janasanyog RO no 4830/24/14-Mar-25

# নৗে সৰিয়হতলী বাৰেগএঃা সমাজৰ ষষ্ঠদশ সংখ্যক ভাওনা মহোৎসৱৰ সামৰণি

## ৩২খন অংকীয়া ভাওনা প্ৰদৰ্শন, স্মৃতিগ্ৰন্থ 'স্মৃতি তীৰ্থ' উন্মোচন





**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত নৗে সৰিয়হতলী বাৰেগএঃা সমাজৰ উদ্যোগত যোৱা ৬ মাৰ্চৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা নৱনিৰ্মিত মন্দিৰ প্ৰতিষ্ঠাৰ লগতে ষষ্ঠদশ সংখ্যক ভাওনা মহোৎসৱৰ যোৱা ৮ মাৰ্চত সামৰণি পৰে। নৗেৰ সৰিয়হতলী বাৰেগএঃা সমাজৰ মন্দিৰৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হোৱা ভাওনা মহোৎসৱৰ কাৰ্যসূচী অনুসৰি ৬ মাৰ্চত পুৱা ধৰ্মধ্বজা উত্তোলন কৰে বাৰেগএঃা সমাজৰ সভাপতি গোপাল চন্দ্ৰ নাথে। বাৰেগএঃা সমাজৰ প্ৰাক্তন সভাপতি শিশুৰাম বৰুৱাই স্মৃতি তৰ্পণ কৰাৰ অন্তত বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পিছতেই নৱ নিৰ্মিত মন্দিৰ ভাগৰ গুৰু আসন প্ৰতিষ্ঠা কাৰ্যৰ শুভাৰম্ভ কৰে মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীজনাৰ্দন দেৱ গোস্বামীয়ে। দুপৰীয়া খোল প্ৰসংগ, নাম-কীৰ্তন, প্ৰসাদ বিতৰণ, সন্ধ্যা বন্তি প্ৰজ্বলন, গন্ধৰ্ব বাদন কাৰ্যসূচী সম্পন্ন কৰা হয়। দ্বিতীয় দিনা পুৱা উষাকীৰ্তন, খোল প্ৰসংগ, নাম কীৰ্তন, বিয়লি আৰু নিশা আঠখন ৰভাত একেসময়তে ১৬ খন অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হয়। অন্তিম দিনা পুৱা আইসকলৰ দিহানাম, খোল প্ৰসংগ, নাম কীৰ্তন, প্ৰসাদ বিতৰণ আৰু বিয়লি আৰু নিশা ৮ খন ৰভাত একে সময়তে ১৬ খন অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হয়। ভাওনা মহোৎসৱত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে স্মৃতি গ্ৰন্থ 'স্মৃতি তীৰ্থ' উন্মোচন কৰে। ভাষণ প্ৰসংগত বিধায়ক গোস্বামীয়ে অংকীয়া ভাওনাৰ প্ৰচাৰ-প্ৰচাৰ উদ্দেশ্যৰে ভাওনা মহোৎসৱৰ দৰে আয়োজন কৰা এনে মহৎ কাৰ্যসূচীৰ বাবে উদ্যোক্তাসকলৰ পদক্ষেপক শলাগ লয় আৰু ইয়াৰ জৰিয়তে গুৰুজনাৰ অপূৰ্ব সৃষ্টিৰাজি তথা কৃষ্টি, সংস্কৃতি আমি জীৱিত কৰি ৰাখিব লাগিব বুলি তেওঁ মন্তব্য কৰে। বিধায়ক গৰাকীয়ে লগতে ভাষণত বাৰেগএঃা মন্দিৰৰ মূল মণ্ডপৰ চাৰিওদিশে স্থায়ী ৰভা নিৰ্মাণ কৰি দিয়াৰ ৰাইজক প্ৰতিশ্ৰুতি প্ৰদান কৰে। ভাওনা মহোৎসৱৰ কাৰ্যসূচীত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই অংশগ্ৰহণ কৰি উদ্‌যাপন সমিতিৰ বিষয়ববীয়া, ভকত-বৈষ্ণৱ আইমাতৃ সকলৰ সৈতে মত-বিনিময় কৰি প্ৰভু ভগৱন্তৰ শ্ৰীচৰণত প্ৰণিপাত জনায় আশীষ গ্ৰহণ কৰে। উল্লেখযোগ্য যে, ভাওনা মহোৎসৱৰ দ্বিতীয় আৰু তৃতীয় দিনাৰ কাৰ্যসূচীত আঠখন ৰভাত একে সময়তে দিনে আৰু নিশাই মিলি প্ৰদৰ্শিত ৩২ খন অংকীয়া ভাওনাই অগণন কৃষ্টিপ্ৰেমী দৰ্শকক মুগ্ধ কৰে।

# গুৱাহাটী জ্যোতি চিত্ৰবনত তেজপুৰৰ বিশিষ্ট সমাজসেৱিকা নৱনিতা হাজৰিকাক ২০২৫ বৰ্ষৰ 'মানৱ সেৱা' বঁটা প্ৰদান

## অনুষ্ঠানত 'বৰলুইত' শীৰ্ষক গ্ৰন্থ উন্মোচন

**চন্দন শৰ্মা, তেজপুৰ ঃ** গুৱাহাটীৰ জ্যোতি চিত্ৰবনৰ মঞ্চত শনিবাৰে আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি নেবকাছৰ তৰফৰ পৰা আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠানভাগ সম্পন্ন হয়। কাৰ্যসূচী মৰ্মে প্ৰথমে এগচি বন্তি প্ৰজ্বলনৰে শুভাৰম্ভ কৰে তেজপুৰৰ বিশিষ্ট অভিনেতা ননি মাধৱ শৰ্মা, বিশিষ্ট সাহিত্যিক অৰুণ কুমাৰ শৰ্মাৰ লগতে বহুকেইজন গণ্য মান্য ব্যক্তিয়ে। তাৰপিছত উষানগৰী তেজপুৰৰ বিশিষ্ট সমাজসেৱিকা তথা কটন মহাবিদ্যালয়ত সমাজ সেৱা বঁটা প্ৰাপক, শিৱসাগৰত ইঞ্চপেয়াৰ সমাজ সেৱা বঁটা, বিশ্ব হিন্দু পৰিষদৰ শোণিতপুৰ জিলাৰ উপ-সভানেত্ৰী, বিহু কৃষ্টি পৰিষদ অসমৰ শোণিতপুৰ জিলাৰ সাংগঠনিক সম্পাদিকা, তেজপুৰ জিলা গীতা মণ্ডলী, ভাৰত ৰক্ষা মঞ্চ, শোণিতপুৰ ঐতিহ্য সংস্কৃতিৰ লগত জড়িত নৱনিতা হাজৰিকাক ২০২৫ বৰ্ষৰ 'মানৱ সেৱা' বঁটা প্ৰদান কৰে। ইয়াৰোপৰি অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ৫০ গৰাকী বিশিষ্ট সাহিত্যিক, সমাজসেৱক, ক্ৰীড়াবিদ, ভাওনা শিল্পী, লোকবাদ্যকাৰ, গীতিকাৰৰ লগতে সাংবাদিকক নেবকাছৰ




তৰফৰ পৰা আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। বঁটাত অসমীয়া জাতিৰ স্বাভিমান ফুলাম গামোছা, স্মাৰক, প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। উক্ত বঁটা প্ৰদান অনুষ্ঠানত 'বৰলুইত' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে মহাজাতি টুৱেন্টি ফ'ৰ লাইভৰ স্বত্বাধিকাৰ তথা অসম বাৰ্তা কাকতৰ সঞ্চালক ড° পৰশমণি সিংহই। ইয়াৰ পিছতে এম. মা. প্ৰডাকচনৰ স্বত্বাধিকাৰী মনোজ কুমাৰৰ পৰিচালনাৰে উদীয়মান কণ্ঠশিল্পী কৃতিকা নাথৰ সুমধুৰ কণ্ঠত 'চকুৰে টিপতে' শীৰ্ষক গীতটি মুকলি কৰে। সভাত উদীয়মান শিল্পীসকলৰ দ্বাৰা বিহু, সত্ৰীয়া নৃত্যও পৰিবেশন কৰে। নেবকাছৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান অনুষ্ঠানৰ দৰে এনে মহান কাৰ্যসূচীৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, শৈক্ষিক মহলে ভূয়সী প্ৰশংসা কৰে।

# ৪ বছৰত অসম ভ্ৰমণ কৰিলে ২.৪৩ কোটি পৰ্যটকে

## বিধানসভাত ৰণজিৎ কুমাৰ দাসে প্ৰকাশ কৰিলে তথ্য

**গুৱাহাটী ঃ** ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনৰ ডিচেম্বৰ মাহলৈকে অসমলৈ মুঠ ২ কোটি ৪৩ লাখ ৬৪ হাজাৰ ১৮০ জন পৰ্যটকে ভ্ৰমণ কৰিছে। পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মঙলবাৰে বিধানসভাত এই তথ্য দাঙি ধৰে। বিধায়ক অখিল গগৈৰ এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনৰ ডিচেম্বৰলৈকে ৰাজ্যখনলৈ অহা পৰ্যটকৰ মুঠ সংখ্যা ২,৪৩,৬৪,১৮০ জন। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ইয়াৰে ৬০,৩০৬ জন আছিল বিদেশী পৰ্যটক। উল্লেখ্য যে ২০২২-২৩ বৰ্ষত সৰ্বাধিক সংখ্যক পৰ্যটকে অসম ভ্ৰমণ কৰিছিল। এই সময়ছোৱাত মুঠ ৯৮ লাখ ৩১ হাজাৰ ১৪১ জন পৰ্যটক ৰাজ্যখনলৈ আহিছিল। ২০২৩-২৪ চনত এই সংখ্যা আছিল ৭০ লাখ ৬৭ হাজাৰ ৩৩৫ জন। ২০২১-২২ চনত পৰ্যটকৰ সংখ্যা আছিল ১৭ লাখ চহাজাৰ ৯৩২ জন। আনহাতে, ২০২৪-২৫ চনৰ ডিচেম্বৰ মাহলৈকে ৫৭ লাখ ৬২ হাজাৰ ৭৭২ জন পৰ্যটকে অসম ভ্ৰমণ কৰাৰ তথ্য পোৱা গৈছে। এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলামৰ আন এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে পৰ্যটন খণ্ডক অধিক বিকশিত কৰাৰ বাবে আন্তঃগাঁথনি উন্নয়ন, প্ৰচাৰ আৰু দক্ষতা বিকাশৰ বিভিন্ন আঁচনি হাতত লোৱা হৈছে। উল্লেখ্য যে নদীভিত্তিক পৰ্যটনৰ প্ৰসাৰৰ বাবে পৰ্যটন বিভাগটোৱে ১৯৯১-৯২ চনত গুৱাহাটীৰ ব্ৰহ্মপুত্ৰ নদীত 'জলপৰী' আৰু ২০১১-১২ চনত গুৱাহাটীৰ পৰা মাজুলীলৈ 'মহাবাহু' নামৰ বিলাসী ক্ৰুজ সেৱা আৰম্ভ কৰিছিল। ইয়াৰ উপৰিও, ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত গুৱাহাটীৰ আঠটা প্ৰধান ধৰ্মীয় স্থান আৰু ইয়াৰ চাৰিওফালৰ অঞ্চলসমূহ সংযোগ কৰি 'হপ অন হপ অফ' (hop On Hop Off ) নাও সেৱাৰ পৰিকল্পনা হাতত লোৱা হৈছে উল্লেখ কৰে। এই পৰিকল্পনাৰ কাৰ্যকৰীকৰণৰ বাবে সাগৰমালা ডেভেলপমেণ্ট কোম্পানী লিমিটেড, ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ লিমিটেড, ৰাজ্যৰ পৰ্যটন বিভাগ আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগ, অসমৰ যৌথ উদ্যোগত এটা নতুন সংস্থা গঠন কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই সংস্থাটোক 'ব্ৰহ্মপুত্ৰ সাগৰমালা মন্দিৰ দৰ্শনম এছ পি ভি প্ৰাইভেট লিমিটেড' নামেৰে নামকৰণ কৰা হৈছে আৰু প্ৰকল্পটো ৰূপায়ণৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

# উজনি মাজুলী উন্নয়ন খণ্ডৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন



**বিকাশ শইকীয়া, মাজুলী ঃ** সংকল্পঃ জিলা মহিলা সৱলীকৰণ কেন্দ্ৰ, মহিলা আৰু শিশু বিকাশ বিভাগ মাজুলীৰ উদ্যোগত, 'বেটি বচাও বেটি পঢ়াও আঁচনিৰ' অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান মাজুলীৰ উজনি মাজুলী খণ্ড উন্নয়ন কাৰ্যালয়ৰ সহযোগত উন্নয়ন খণ্ডটিৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰে। মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে শুভাৰম্ভ কৰা অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে উজনি মাজুলী খণ্ড উন্নয়ন বিষয়া, সমাজকৰ্মী ৰেণুমালা দত্ত, জিলা সমাজ কল্যাণ বিষয়া উত্তম অধিকাৰী আৰু জেংৰাইমুখ মহাবিদ্যালয়ৰ অধ্যাপিকা নন্দিতা ডেকা। অনুষ্ঠানটিত জিলাখনৰ ৭ গৰাকীকৈ মহিলাক "Inspiring Women of Majuli" awad প্ৰদান কৰাৰ লগতে স্বাস্থ্য বিভাগ মাজুলীৰ সহযোগত মহিলাসকলৰ বাবে বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ আয়োজন কৰা হয়। অনুষ্ঠানটিৰ আঁত ধৰে সংকল্পঃ জিলা মহিলা সবলীকৰণ কেন্দ্ৰ, মহিলা আৰু শিশু বিকাশ বিভাগৰ জিলা মিছন সমন্বয়ক কুকি বৰুৱাই।

# মুক্তি

■ **পাপু মজুমদাৰ,** নগাঁও

ৰমেশ বাবু, আজিও পতিতালয় এলেকাত আহিছে। গলিৰ ভিতৰত সোমোৱাৰ লগে-লগে এজন দালালৰ লগত কথা ক'লে। মুখখন ৰুমালেৰে মেৰিয়াই তেওঁ এখন কোঠালিৰ ভিতৰত সোমাই গ'ল। তাত থিয় হৈ থকা কেইজনীমান পতিতাই তেওঁৰ ফালে চাই হাঁহি হাঁহি কৈ আছিল- 'বুঢ়াৰ, ৰসও আছে, আকৌ ভয়ও আছে।' ৰমেশ বাবুয়ে কোঠালিৰ ভিতৰত সোমাই দুৱাৰ লগাই দি সুধিলে-'তুমি ৰেডি নে মোৰ লগত যোৱাৰ বাবে?' ছোৱালীজনীয়ে হাঁহি ক'লে- 'হয়, মই ৰেডি।'

কিছু সময়ৰ পিছত ৰমেশ বাবুয়ে ছোৱালীজনীক লৈ ওলাই গ'ল এক সুন্দৰ সভ্য জীৱন উপহাৰ দিবলৈ।

ৰমেশ বাবুয়ে কিছু বছৰ পূৰ্বে নিজৰ একমাত্ৰ জীয়ৰীক বচাবলৈ পৰা নাছিল। তাইৰ শহুৰ ঘৰৰ মানুহবোৰে কেইটামান টকাৰ বাবে তাইক পতিতালয়ত বিক্ৰী কৰি দিয়ে। ৰমেশ বাবুয়ে যেতিয়া গম পাইছিল, তেতিয়া সকলো শেষ। তেওঁ নিজৰ জীয়ৰীৰ জ্বলন্ত চিতাৰ সন্মুখত থিয় হৈ প্ৰতিজ্ঞা কৰিছিল। যিমানখিনি সম্ভৱ মই মোৰ সৰ্বস্ব দি পেলায় চেষ্টা কৰিম, আৰু কোনো ছোৱালীক মই শেষ হৈ যাবলৈ নিদিওঁ। সেই ঘটনাৰ পিছৰ পৰাই যিমানখিনি সম্ভৱ এনেকৈয়েই দালালৰ লগত হাত কৰি তেওঁ ছোৱালীবোৰক উদ্ধাৰ কৰি নতুন জীৱন উপহাৰ দি আহিছে।

**ম'বাইল ঃ** ৯৮৬৪২-০১৭৭৯

# সংস্কৃতি আৰু সমাজৰ ওপৰত সংবাদ মাধ্যমৰ প্ৰভাৱ

■ সত্যব্ৰত বৰা

সংবাদ মাধ্যম আমাৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। সংবাদ মাধ্যমে আমাৰ চিন্তা, আচৰণ আৰু পৃথিৱীৰ সৈতে যোগাযোগৰ ধৰণক গঢ় দিছে। বাতৰি কাকত আৰু ৰেডিঅ'ৰ পৰা আৰম্ভ কৰি টেলিভিছন, ছ'চিয়েল মিডিয়া, ডিজিটেল প্লেটফৰ্মলৈকে সংবাদ মাধ্যমে আধুনিক সমাজৰ প্ৰতিটো দিশতে প্ৰভাৱ পেলায়। ই সাংস্কৃতিক নীতি-নিয়মসমূহক প্ৰতিফলিত কৰা দাপোন হিচাপে কাম কৰাৰ লগতে ইয়াক ৰূপান্তৰিত কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰে। সংবাদ মাধ্যম, সংস্কৃতি আৰু সমাজৰ মাজৰ সম্পৰ্ক জটিল, গতিশীল আৰু অহৰহ বিকশিত হৈ আছে।

সংবাদ মাধ্যমে সংস্কৃতিক প্ৰভাৱিত কৰাৰ অন্যতম উল্লেখযোগ্য উপায় হ'ল জনমত গঢ় দিয়া। প্ৰতিদিনে মানুহে বাতৰিৰ প্ৰবন্ধ, টেলিভিছনৰ অনুষ্ঠান, অনলাইন ভিডিঅ', ছ'চিয়েল মিডিয়া পোষ্টৰ জৰিয়তে তথ্য গ্ৰহণ কৰে। এই তথ্য সমূহে তেওঁলোকৰ ধাৰণাত প্ৰভাৱ পেলায়। কাহিনী এটা উপস্থাপন কৰাৰ ধৰণে মানুহৰ আৱেগ আৰু সিদ্ধান্তক প্ৰভাৱিত কৰিব পাৰে। সংবাদ মাধ্যমে যেতিয়া বাৰে বাৰে অপৰাধৰ ওপৰত গুৰুত্ব আৰোপ কৰে তেতিয়া অপৰাধৰ হাৰ হ্ৰাস পালেও ভয়ৰ ভাৱৰ সৃষ্টি হ'ব পাৰে। যেতিয়া চেলিব্ৰিটি বা প্ৰভাৱশালীসকলে জীৱনশৈলী, সামগ্ৰী বা বিশ্বাসৰ প্ৰচাৰ কৰে, তেতিয়া দৰ্শকে সেইবোৰক সামাজিক নীতি হিচাপে গ্ৰহণ কৰাৰ প্ৰৱণতা থাকে।

সাংস্কৃতিক মূল্যবোধ আৰু পৰম্পৰাৰ প্ৰসাৰৰ ক্ষেত্ৰতো সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। চিনেমা, সংগীত আৰু সাহিত্যই কেৱল মনোৰঞ্জন প্ৰদান নকৰে লগতে সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু সঞ্চাৰো কৰে। মানুহক বিভিন্ন ৰীতি-নীতি, ভাষা আৰু ইতিহাসৰ সৈতে পৰিচয় কৰাই দিয়ে, যাৰ ফলত বিশ্বজনীন সজাগতাৰ ভাৱ এটা গঢ়ি তোলে। এখন দেশত নিৰ্মিত এখন চিনেমা বিশ্বজুৰি জনপ্ৰিয় হৈ উঠিব পাৰে, যাৰ ফলত দৰ্শকে আন এটা সংস্কৃতিৰ দিশবোৰৰ শলাগ ল'বলৈ আৰু কেতিয়াবা গ্ৰহণ কৰিবলৈও বাধ্য হয়। এই সাংস্কৃতিক আদান-প্ৰদান সমৃদ্ধিশালী হ'ব পাৰে, ইয়ানে সিজনৰ পৰা শিকি সমাজসমূহক বিকশিত হোৱাত সহায় কৰিব পাৰে। কিন্তু ইয়াৰ ফলত প্ৰভাৱশালী সংস্কৃতিয়ে স্থানীয় পৰম্পৰাত ছাঁ পেলাবও পাৰে।

সংবাদ মাধ্যমৰ প্ৰভাৱ সামাজিক আচৰণ আৰু মনোভাৱ গঢ়ি তোলালৈকে বিস্তৃত হৈ পৰে। উদাহৰণস্বৰূপে বিজ্ঞাপন কেৱল সামগ্ৰী বিক্ৰীৰ বাবেই নহয়, ইচ্ছা আৰু আকাংক্ষা সৃষ্টিৰ বাবেও ডিজাইন কৰা হয়। ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহে এই প্ৰভাৱক বৃদ্ধি কৰে। প্ৰভাৱশালী আৰু ভাইৰেল কন্টেন্টে সাধাৰণ মানুহক জনমত গঢ় দিয়াৰ ক্ষমতা প্ৰদান কৰিছে।

ৰাজনীতি আৰু শাসন ব্যৱস্থাতো সংবাদ মাধ্যমৰ প্ৰভাৱ পৰে। ৰাজনৈতিক দলবিলাকে ভোটাৰৰ ওচৰলৈ যাবলৈ সংবাদ মাধ্যমৰ কভাৰেজৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে আৰু বাতৰি চেনেলত হোৱা বিতৰ্কই ৰাজহুৱা বক্তৃতা গঢ় দিয়াত সহায় কৰে। ছ'চিয়েল মিডিয়াই ৰাজনৈতিক সংযোগ আৰু অধিক তীব্ৰতৰ কৰি তুলিছে। মানুহে নিজৰ মতামত প্ৰকাশ কৰিব পাৰে, প্ৰতিবাদ কৰিব পাৰে। যি যুগত তথ্যতকৈ ভুৱা বাতৰি দ্ৰুতগতিত বিয়পিব পাৰে, সেই যুগত সংবাদ মাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে।

মনোৰঞ্জন উদ্যোগটো সাংস্কৃতিক পৰিৱৰ্তনৰ আন এক প্ৰধান চালক। জনপ্ৰিয় সংবাদ মাধ্যমে কেৱল সমাজৰ বিষয়বোৰক প্ৰতিফলিত কৰাই নহয়, প্ৰভাৱিতও কৰে। লিংগ সমতা, মানসিক স্বাস্থ্য আৰু পৰিৱেশৰ দৰে বিষয়সমূহৰ সৈতে মোকাবিলা কৰা চিনেমা আৰু বিভিন্ন অনুষ্ঠানে এই বিষয়সমূহক মূলসুঁতিৰ আলোচনালৈ অনাত সহায় কৰে। তেওঁলোকে আগুৱাৰণি বিশ্বাসক প্ৰত্যাহ্বান জনায় আৰু প্ৰগতিশীল চিন্তাধাৰাক উৎসাহিত কৰে। কিন্তু সংবাদ মাধ্যমে কু-সংস্কাৰক শক্তিশালী কৰিবও পাৰে।

ডিজিটেল যুগত সংবাদ মাধ্যমৰ দ্বাৰাও সামাজিক সম্পৰ্কৰ পৰিৱৰ্তন ঘটিছে। হোৱাটছএপ, ইনষ্টাগ্ৰাম, টুইটাৰৰ দৰে প্লেটফৰ্মে মানুহৰ যোগাযোগৰ ধৰণ সলনি কৰিছে। বন্ধুত্ব আৰু সম্পৰ্ক এতিয়া অনলাইনত বজাই ৰখা হয়। সমগ্ৰ বিশ্বজুৰি সংযোগ শক্তিশালী হৈছে যদিও সমান্তৰালভাৱে সামাজিক বিচ্ছিন্নতা, চাইবাৰ অপৰাধৰ বৃদ্ধিয়ে উদ্বেগৰ সৃষ্টিও কৰিছে।

শিক্ষা আৰু সজাগতাৰ ক্ষেত্ৰতো সংবাদ মাধ্যমৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। অনলাইনত সকলো সময়তে উপলব্ধ তথ্যৰ ফলত যিকোনো বিষয়ৰ ওপৰত সহজে জ্ঞান লাভ কৰিব পাৰি। অৱশ্যে তথ্যৰ অতিৰিক্ত বোজাও বৃদ্ধি পাইছে, যাৰ ফলত নিৰ্ভৰযোগ্য আৰু বিভ্ৰান্তিকৰ বিষয়বস্তুৰ মাজত পাৰ্থক্য কৰাটো কঠিন হৈ পৰিছে।

সংবাদ মাধ্যমৰো নেতিবাচক দিশ আছে। বাতৰিক অতিৰঞ্জিত কৰি উপস্থাপন কৰিলে অপ্ৰয়োজনীয় আতংকৰ সৃষ্টি কৰিব পাৰে বা বাস্তৱক বিকৃত কৰিব পাৰে। চেলিব্ৰিটি সংস্কৃতিৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে গুৰুত্বপূৰ্ণ সামাজিক বিষয়ৰ পৰা মনোযোগ আঁতৰি যায়।

সংবাদ মাধ্যম হৈছে এক শক্তিশালী আহিলা। এই মাধ্যমে সংস্কৃতি আৰু সমাজখনক ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশতে গঢ় দিব পাৰে। সংবাদ মাধ্যমে যাতে বৃহত্তৰ মংগলৰ বাবে সেৱা কৰে তাৰ দায়িত্ব কেৱল কন্টেন্ট সৃষ্টিকৰ্তা আৰু সাংবাদিকৰ ওপৰতে নহয়, গ্ৰাহকৰ ওপৰতো নিৰ্ভৰ কৰে। আমি সংবাদ মাধ্যমৰ প্ৰতি অধিক সচেতন হৈ, বিভিন্ন প্ৰশ্ন উত্থাপন কৰি আৰু বৈচিত্ৰময় দৃষ্টিভংগী বিচাৰি গঠনমূলক পৰিৱৰ্তনৰ বাবে সংবাদ মাধ্যমক ব্যৱহাৰ কৰিব পাৰো।

# শুৱালকুছি মহাবিদ্যালয়ত 'নাক'ৰ পৰিদৰ্শন

## সাংস্কৃতিক অনুষ্ঠানে মোহিলে সকলোকে



**দিলীপ মেধি, শুৱালকুছি ঃ** শুৱালকুছি বুদ্ধৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়খন ১৮-১৯ বৰ্ষৰ পৰা ২০২২-২৩ বৰ্ষলৈ মূল্যাংকণ কৰিবলৈ 'National Assesment and Accreditation Council' চমুকৈ 'নাক'ৰ তৰফৰ পৰা এটা তিনিজনীয়া দলে মহাবিদ্যালয়খন যোৱা ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত পৰিদৰ্শন কৰে। মহাৰাষ্ট্ৰৰ শিৱাজী বিশ্ববিদ্যালয়ৰ প্ৰো উপাচাৰ্য প্ৰফেচৰ প্ৰমোদ পাটিল, মহীশূৰ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক নয়াকাৰী আৰু অন্ধ্ৰপ্ৰদেশৰ পি আৰ চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যনাৰায়ণে মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগ, পৰীক্ষাগাৰ, বিভিন্ন কোষ, কাৰ্যালয়ৰ হিচাপ-পত্ৰ আদি তন্ন তন্নকৈ পৰীক্ষা কৰে। লগতে পৰিদৰ্শনকাৰী দলটোৱে শিক্ষকগোট, ছাত্ৰ একতা সভাৰ সদস্য, ছাত্ৰ-ছাত্ৰী, এন এচ এচ, এন চি চি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক, পৰিচালনা সমিতিৰ সদস্য, চৰকাৰী বিষয়া আদিৰ লগত আলোচনা কৰি মহাবিদ্যালয়খন সম্বন্ধে নানান কথাৰ বুজ লয়। এই উপলক্ষে মহাবিদ্যালয় কৰ্তৃপক্ষই এখন সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশন কৰি উপস্থিত সকলোকে আকৰ্ষিত কৰে। অসমৰ সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰি বহি ৰাজ্যৰ পৰা অহা নিৰীক্ষক সকলো আপ্লুত হয়। পৰিদৰ্শনকালত মহাবিদ্যালয় পৰিয়ালক সহায় কৰা সকলো ছাত্ৰ-ছাত্ৰী, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, চৰকাৰী বিষয়া, মহাবিদ্যালয়ৰ শুভাকাংক্ষী সকলোকে মহাবিদ্যালয়ৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নিহাৰ ৰঞ্জন কলিতাই।

# নিৰাশাৰ মাজত আশাৰ ৰেঙণি

## এডভান্টেজ আছাম ২.০

■ কমলেশ কাঞ্চন




এডভান্টেজ আছাম ২.০ অসমৰ নিবনুৱাৰ বাবে আশাৰ কিৰণ। দেশৰ প্ৰথম পাঁচখন বিকশিত ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ হ'লে চৰকাৰী খণ্ডত বিনিয়োগৰ প্ৰয়োজন আছে। আনহাতে স্বদেশী তথা বিদেশী ব্যক্তিগত খণ্ডৰ বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ বাহিৰে বিকল্প ব্যৱস্থা নাই। দেশৰ উদ্যোগপতি আৰু বহিঃৰাষ্ট্ৰৰ উদ্যোগপতিয়ে বিনিয়োগৰ ক্ষেত্ৰত কেইবা লাখ কোটি টকাৰ যি ঘোষণা কৰিছে সেইটোৱে অসমৰ নিবনুৱাসকলৰ মনত আশাৰ সঞ্চাৰ কৰিছে। কিন্তু ঘোষণা আৰু বাস্তৱৰ মাজত পাৰ্থক্য আছে। ব্যৱসায় সদায় লাভৰ লগত সম্পৰ্কিত। লাভৰ আশা দেখিলে বিভিন্ন কোম্পানীয়ে বিনিয়োগ কৰিবলৈ আগুৱাই আহিব; আৰু তেওঁলোকক সুবিধাজনক বাতাবৰণত ৰখাটো সকলোৰে দায়িত্ব। এইক্ষেত্ৰত চৰকাৰৰো যথেষ্ট কৰণীয় আছে। ভিন্ন কাৰণত বৰ অসম এতিয়া সাত ভনীৰ ৰাজ্যলৈ পৰিণত হৈছে। সম্প্ৰতি আমাৰ ৰাজ্যত কেইবাখনো স্বায়ত্ব শাসিত পৰিষদ আছে। আৰু এই স্বায়ত্ব শাসিত পৰিষদৰ অঞ্চলত উদ্যোগ স্থাপন কৰিবলৈ যাওঁতে পূৰ্বতে চৰকাৰখনে বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা দৃষ্টি গোচৰ হৈছে। অনাগত সময়টো এনেকুৱা প্ৰত্যাহ্বানৰ সন্মুখীন নহ'ব বুলি ক'ব নোৱাৰি। বিগত ২০১৮ চনৰ ৩-৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হোৱা এডভান্টেজ আছাম গ্লোবেল ইনভেষ্টৰছ ছামমিট ১.০ৰ কালছোৱাত বহুতো প্ৰতিশ্ৰুতি অসমীয়াই পাইছিল যদিও কাৰ্যত আশা কৰা ধৰণে ফলপ্ৰসু নহ'ল। তদুপৰি উদ্যোগপতিসকলে ঘোষণা কৰাৰ দৰে যদি বিভিন্ন উদ্যোগ স্থাপন কৰাৰ ক্ষেত্ৰত সফলো হয় তেতিয়াও নিবনুৱা সমস্যা সমাধান হ'ব বুলি ক'ব নোৱাৰি। উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ ভিতৰত অসম পূৰ্বৰে পৰা উদ্যোগৰ ক্ষেত্ৰত আগবঢ়া যদিও নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত বিশেষ সফলতা পোৱা নাই। কাৰিকৰী শিক্ষাত উচ্চ ডিগ্ৰী সম্পন্ন কম প্ৰাৰ্থী থকাৰ বাবে অসমৰ নিবনুৱাই উচ্চ পদবীত অধিষ্ঠিত হ'ব পৰা নাই। সেয়েহে চৰকাৰে কাৰিকৰী শিক্ষাৰ বিষয়ত গুৰুত্ব দিব লাগিব; অন্যথা চতুৰ্থ বৰ্গৰ পদতে থকাৰ বাহিৰে অন্য উপায় নাথাকিব।

**ম'বাইল ঃ ৭০০২৪-২৩৭৯৯**

# জনিয়াত মুছলমান যুৱতীয়ে গ্ৰহণ কৰিলে হিন্দু ধৰ্ম



**প্ৰসন্ন নাথ, বৰপেটা ঃ** বৰপেটা জিলাৰ জনিয়াৰ নৱগঠিত মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত জনীয়াত সম্প্ৰতি মুছলমান যুৱতীয়ে হিন্দু ধৰ্ম গ্ৰহণ কৰাত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে, ইছলাম ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰা মুছলমান যুৱতীগৰাকী হৈছে বৰপেটা জিলাৰ জনীয়াৰ মহম্মদপুৰ গাঁৱৰ এগৰাকী মুছলমান যুৱতী। যিসময়ত হিন্দু-মুছলমানৰ মাজত ধৰ্মৰ সংঘাত চলি থাকে। ঠিক সেই সময়তে মুছলমান যুৱতী গৰাকীয়ে ইছলাম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰাত বিশেষ তাৎপৰ্য বহন কৰিছে। বৰপেটাৰ জনীয়াৰ মহম্মদপুৰ গাঁও নিবাসী নুৰমহম্মদৰ কণ্যা দিলৰুমা নামৰ যুৱতী গৰাকীয়ে হিন্দু ধৰ্ম গ্ৰহণ কৰি দিলৰুমা পৰিচিত হ'ল গৈ ৰুমা ঘোষ নামেৰে। সেয়ে এতিয়াৰ পৰা দিলৰুমা পৰিচিত হ'ব ৰুমা হিচাপে। জানিব পৰা মতে জনীয়া নিবাসী কৃষ্ণ ঘোষৰ পুত্ৰ তাপস ঘোষৰ সৈতে দীৰ্ঘদিন ধৰি যুৱতী গৰাকীৰ প্ৰেমৰ সম্পৰ্ক আছিল। আৰু প্ৰেমৰ সম্পৰ্কৰ পিছত দুই যুৱক-যুৱতীয়ে সামাজিক ৰীতি-নীতি অনুসৰি সামাজিকভাৱে আৰু বৰপেটা ন্যায়িক আদালতত আইনী প্ৰক্ৰিয়াৰ মাজেৰে বিবাহপাশত আবদ্ধ হয় আৰু দিলৰুমাই বিবাহসূত্ৰে হিন্দু ধৰ্ম গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে।

## প্ৰেমৰ শিলাস্তম্ভ

**শশী কেওঁট**

কিয় জানো?
দৃষ্টিৰ গভীৰ পটচিত্ৰত
কেৱল তোমাৰ প্ৰতিফলন
নাজানো, সময়ৰ নীৰৱ ভাষাত
কিয় তোমাৰ প্ৰতিচ্ছবি অম্লান .....
নেত্ৰৰ গভীৰতা চিঙি
মনৰ উপত্যকাত
শিলৰ দৰে খোদিত হৈ ৰোৱা
তোমাৰ মহত্বৰ প্ৰতিমূৰ্তি
আৰু শক্তিৰ শিলালিপি,
হৃদয়ৰ গভীৰ গুহাত
প্ৰেমৰ শিলাস্তম্ভ জ্বলে
আৰু দহি যায়
আৱেগৰ সমাধি.....
যন্ত্ৰণাৰ দহনত
উৰে বিষাক্ত উশাহ
ডেউকাই, অগ্নি বহন কৰে
আৰু শিলৰ বুকুত
প্ৰেমৰ কংকাল অংকিত হয়

## আহিল ফাগুন

**ত্ৰৈলোক্য ভট্টাচাৰ্য্য**

ধূলিৰ ফাকু খেলি
শীতৰ কুঁৱলী ফালি
বসন্তৰ বতৰা লৈ আহিল ফাগুন।
ফাগুন ৰঙৰ কাৰিকৰ
শীতে লঠঙা কৰা গছে
আশাৰে অপেক্ষা কৰে
হেঁপাহৰ ফাগুনৰ পৰশ।
শিমলু মদাৰে ৰাঙলী কৰে
ফাগুনৰ ফৰকাল আকাশ
শীতৰ তাগিদাত সকলো
আদায় দি নিস্ব হোৱা
হেবাং গছবোৰ থিয় দি আছে
নিৰাভৰণ দেহ।
নিলাজ ফাগুনে চুই যায় সিহঁতক।
ফাগুনৰ পৰশতে ভুমুকিয়াই
সৰা পাতে পাতে
জলফাই ৰঙৰ কন কন কুঁহি
যোৰপাতি যোৱা প্ৰেমিক যুগলক
ভাল পাই ফাগুনে
আগজাননী নিদিয়াকৈ
আকাশ ৰঙা শিমলু জোপাই
থপক কৈ নমাই দিয়ে
দুপিয়লা উতলা ফাগুন
আকাশ তেজাল বাসনাৰ।
ডেকা গাভৰুৰ তেজত
জাগি উঠে আদিম অনুভৱ
আদাম আৰু ইভৰ।



## ৰূপহী ফাগুনী

**আয়শা ছিদ্দিকা (আছৰি)**
বাংলিপাৰা, বৰপেটা

ৰক্তিম পলাশৰ মনমুগ্ধকৰ অৰণ্যে
প্ৰকৃতিৰ সৌন্দৰ্য আৰু দ্বিগুণ কৰে..
সুৰসুৰীয়া মলয়া বতাহজাকৰ চৌত
আম কঁঠালৰ মলমলীয়া গোন্ধ বয়...
প্ৰকৃতিয়ে পুৰণি বৰণ মোহাৰি পেলায়
নব্য অলংকাৰেৰে নিজক সজাই তোলে...
আমে মলিয়াই কঁঠালে মচি পেলাই
ধৰিত্ৰীও ন কৈ গাভৰু হয় ৰূপত.....
স্নিগ্ধ পুৱাই কুলিৰ মিঠা মাতে
প্ৰতিটো দিন সুখময় কৰি তোলে..
ধৰা সজীৱ সতেজ হৈ ৰমৰমাই
ৰূপহী ফাগুনী আহাৰ বতৰা পাই...

**ম'বাইল: ৯৩৬৫৬-৮১৯৬৮**

## নাৰী তুমি বোৰতী নদীৰ সোঁতৰ দৰে

**নাছিৰ আহমেদ**
শিমলাবাৰী গোৱালপাৰা

নাৰী তুমি বোৰতী নদীৰ সোঁতৰ দৰে
বন্ধ কোঠাৰ ৰুদ্ধ হিয়াত জলোচ্ছবাস প্ৰতিনিয়ত।
তুমি অৰ্ধ আকাশৰ দৰে প্ৰতিভাসিত নীল চকুযুৰি
ওঁঠৰ যুগলত পকা আপেলৰ ৰঙা সোৱাদ।

নাৰী তুমি বোৰতী নদীৰ সোঁতৰ দৰে
তুমি ৰং-বৰ্ণ-আকাৰহীন নীড়ৰ দৰে
তোমাৰ সান্নিধ্য লভি পাত্ৰ হয় ৰঙীন-ৰসপূৰ্ণ।
ধূপ শিখা সুগন্ধি পখিলাৰ পৰশ লভি
ধোঁৱা-বাৰুদৰ কদৰ্যময় যুদ্ধৰ দামামা হয় স্তব্ধ।
তুমি নাৰী, সৃষ্টিৰ ৰহস্যময় মহতী শক্তি
তুমি অগ্নি-স্ফুলিঙ্গ, তুমি আগ্নেয়গিৰি
এক বিশাল সেউজ পথাৰৰ শস্য কণাৰ আঁৰত
আত্ম-ত্যাগৰ সুমধুৰ কুলিৰ মৌসনা অমৃত মাত।
তুমি নাৰী
তুমি নাৰী।
তুমি নাৰী।।।

*(আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে)*

**ম'বাইল: ৯১০১৪-৬৫৮০৫**

## ফাগুন

**টোলন তচ্ছা,** কলিয়াবৰ

সেমেকা শীতৰ বিয়লি বেলাত
ধৰালৈ নামি আহিছে এজাক উন্মনা পচোৱা
সৰু বৰ বিৰিখৰ লঠঙা ডালত
ন ন কুঁহিপাতে মেলিছে অনুপম মেলা

ৰ'দ বৰষুণৰ লগত মিতিৰালি পাতি
গছে-বনে মাৰিছে মিচিকিয়া হাঁহি
চৌদিশে মাথোঁ ফাগুনেই ফাগুন
চাই থাকিলেও হেপাহে নপলায় দেখোন
পলাশ মদাৰ শিমলুৰ সাজোন-কাচোন

নিজান বনৰ লুঙলুঙীয়া বাটত
শুনি মাথোঁ সৰাপাতৰ খৰখৰনি
নিলাজ ফাগুনৰ কি যে ধেমালি
বাৰে বাৰে খহাই নিয়ে
জাকৈয়া গাভৰুৰ বুকুৰ ওৰণি

হোলী শিৱৰাত্ৰি আলি আই লৃগাং
কলং কপিলী দিখৌ দিচাং
সকলোতে বলিছে প্ৰেমৰ প্ৰহেলিকা
কমুৱা তুলা হৈ উৰিছে যৌৱনৰ মাদকতা
অসীমত হেৰাই নিজৰ অস্তিত্বৰ সীমনা
ফাগুনে বিচাৰিছে চোৰা নীলিম আকাশৰ ঠিকনা।

**ম'বাইল: ৮৪৮৬০-৬৮৩৯০**

## কেনেকৈ স্বাভাৱিক থাকোঁ?

**বিনিময় দাস**

তুমি মোৰ বাবে কি ?
তুমি নাজানা,
তোমাক চাবলৈ মই
প্ৰতিদিনেই বিচাৰি থাকোঁ বাহানা।
কেতিয়াবা জানিবলৈ ইচ্ছা কৰে নে
কোনোবা এজনে কিয় সদায় ৰখি থাকে
তোমাৰ খিৰিকিৰ আগত
খিৰিকি খুলি ওলাই অহাৰ কোমলতা
দেখাবলৈ মন নাযায় নে তেওঁৰ ভাগত?
যেতিয়া তোমাক দেখোঁ, পৰো বিমোৰত,
বিচলিত হওঁ মনৰ ঘৰত।
উশাহৰ গতি হয় ৰুদ্ধ আৰু
বৃদ্ধি পায় হৃদয়ৰ স্পন্দন,
সন্ধান বিচাৰি হাবাথুৰি খাওঁ,
কেনেকৈ থাকো স্বাভাৱিক স্থিতিত আৰু
কেনেকৈ কৰোঁ নিজকে নিয়ন্ত্ৰণ।

**ম'বাইল: ৯৪৩৫৫-৩৭৫৯১**

## সততা পালেগৈ ধোঁৱাচাং

**জ্যোতিস্মিতা দিব্যাংশ্ৰী বৰা**

আপোন মানুহ বিচাৰি আপোনবোৰ
বহু দূৰ পালেগৈ
তই কি সতে বৈ গ'লি পোনাই।

প্ৰীতিৰ হাবিয়াসত এচলো বিৰহো
ডিঙিত পৰি অমৃতহৈ উঠিছে
অমানুহ হোৱাৰ তীব্ৰ বাসনাত,
সভ্য সমাজৰ অসভ্য আচৰণত
বীথিগ্ৰস্ত হৈছে অধিকাংশ
সততাক বিচৰা জাগৰণত।

শ্ৰেষ্ঠ হোৱাৰ চলিছে অঘোষিত প্ৰতিযোগিতা
আপোনত্বৰ খাতিৰতো দাম দৰ চলে
বোলে অথাই সাগৰত পৰিল সভ্যতা।

হেৰ' কণপোনাই কঁকালৰ গাঁঠিত লৈ ল'বি বিহ
এদিন ভোক বাঢ়িলে তাকেই গিলিবি,
লালসাৰ অভিপ্ৰায়ত গঢ়া সম্পৰ্কত
এদিন ঘঁহিব লাগিব চকুত বিধ্বস্ত ধূলিয়ৰি।

আপোনে আপোন বিচাৰি বহুদূৰ গ'ল পোনাই
তই কি সতে দিবি বাধা।
অসত্যক আঙুলিয়াই ভুল নকৰিবি
তোৰে চাউল মুঠি হ'ব কেহেৰাজ বৰণীয়া।

বুঢ়াই উচতাইছে পো'ক
ক'তনো ধৰিব শিপা
এদিন উভালি পৰিব
শিপা নোহোৱা বৰগছৰ খুঁটা।

উভতি ব'ল পোনাই
এখন নতুন পৃথিৱী বিচাৰি
জন্তুৰ লগতে সুখেৰে থাকিবি...

**ম'বাইল: ৮৪৭৪৮-৯৪৫৩৬**

## মেঘফুল

**সংগীতা ডেকা,** ৰঙিয়া

উদ্বাউল হৈ পৰিছে
মোৰ অনুভৱৰ আকাশখন
কিয়নো নহ'ব?
তাত মেঘফুল যে ফুলিব লৈছে
তুমি পিছে এইদৰে
মাথোঁ হাঁহি দিলেই নহ'ব
মোৰ সৈতে মিলি
মই হৈ বিয়পা সৌৰভেৰে,
এখন উপন্যাসৰ কিশলয়
মেলিব লাগিব...
অংকুৰিত অংকুৰণে
অহ্ন সাৰটে নে ৰয়নি
সেয়া যেন, মোৰ বাবে এক সাঁথৰ।
কিনো ভাবিছা তুমি?
অঁ, মই তোমাকেই কৈছোঁ আকৌ।
হে সময়, মোক পঢ়ি চোৱা না
হে সময়, মোৰ হোৱা না......।

**ম'বাইল: ৯১০১০-১১৮৬৫**

## হোলী গীত

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

ৰাম কৃষ্ণৰ সংগে নাচে গোবিন্দ মুৰাৰী।
বসন্তৰ আগমনে ব্যাকুল বিপিন বিহাৰী।
আবিৰ ছটিয়াই বৃন্দাবনে গোপ-গোপী হাসি
ফাগুনীৰ ৰঙে আজি চুই যায় ব্ৰজবাসী।
ভক্তি ৰসে দৌলত কৃষ্ণক চিন্তিয়া।
ৰঙতে ৰাঙলী হৈ খেলে চন্দন লেপিয়া।
দশোদিশ আনন্দে মদাৰ, পলাশ ৰাঙলী।
আবিৰৰ নানা ৰঙে বৃন্দাবন উদুলী-মুদুলী।
সমন্বয়, প্ৰেম-সম্প্ৰীতিৰ শোভান্বিত যত।
ভক্তগণে আশীৰ্বাদ বিচাৰি মতলীয়া মনত।
শংখ, ডবা বাজে নামঘৰ মন্দিৰতে।
নৱ পল্লৱে আশাৰ বতৰা দিয়ে বুকুতে।

## ফাগুন

**বিচিত্ৰ নাৰায়ন শইকীয়া**
নগাঁও

শীতৰ কুঁৱলীৰ আছাদন ফালি
সৰাপাতৰ সুগন্ধি বুকুত বান্ধি
কহুৱাৰ কোমল পৰশ লৈ
ফাগুন আকৌ আহিল।

গছবোৰ লঠঙা কৰি
ধূলিয়ৰি নীলা আকাশৰ
মাজত উৰিবলৈকে
ফাগুন আকৌ আহিল ।
হৃদয়ত পলাশৰ ৰং সানি
কমুৱা তুলাৰ দৰে মন উৰুৱাবলৈ
নে মোৰ প্ৰেয়সীক উন্মাদ কৰিবলৈ
ফাগুন আকৌ আহিল ?

ফাগুন, তুমি যৌৱনৰ ৰঙীন ভাৱনা
ডেকা গাভৰুৰ মন উতনুৱা কৰা
এমুঠি হেঙুলী আশা ।

**ম'বাইল: ৭০০২৮-৯৯০৬২**



## বিপন্ন সময়

**কৰবী লিগিৰা**

থ্ৰেডিং ট্ৰেডিং একো কৰি পোৱা নাই,
অভাৱ বহুত, হেৰাই পোৱা হ'লে
অলপ।
পালেও আকৌ মন মগজুও পাতল
গোপনে ধৰি ৰাখিব নোৱাৰোঁ
আনন্দৰ কথাবোৰ।
কাকো নকওঁ, কাকো নকবি
এইবোৰ কথা আমাৰ বাবে বৃথা
মাথোঁ সঁচাটোহে ওলাই মুখত
ফটা মুখৰ বিক্ষ নাই।

ধৰ বুলি শব্দ শুনিলেই
লেটিন বাথ ৰুমৰ দৰ্জা মেলিব লাগে
আমাৰ দৰে অকামিলাসব
কি ধনী হ'ম ?
সস্তীয়া বস্তুৰ গ্ৰাহক বহুত
সেয়ে চাহিদা অনুসাৰে ৰীলচ
মাৰিবও জানে, মৰিবও জানে

পিন্ধিবও জানে ডায়মন্ড
সৰ্ব শৰীৰৰ নগ্ন ভাজত
কূটনীতিক লুকুৱাই ক'ত?
মই নাজানিলোঁ ইবোৰ,
নকৰিলোঁ সিবোৰ,
উঠিবও নাজানিলোঁ বেঁকা বেঁকি ফটো
ঢাকিবও নিশিকিলোঁ কটা যোৱা নাক।

## ঈৰ্ষা

**হেৰম্ব নাথ**

অ' জেউতি, গম পাইছ নে-আজি মোৰ আগত মীনাক্ষীয়ে তোৰ বিৰুদ্ধে বৰ বেয়াকৈ কৈছে; তই বোলে আজিকালি বেছি দেখুওৱা। অহংকাৰৰ হেনো অন্ত নাই। অ' হয় নেকি? পিছে এটা নহয়, সিদিনা যে ববিতাই মোৰ ছোৱালীজনী মাতে-কথাই অমায়িক বুলি কৈছিল, তই দেখোন মুখখন ঘূৰাই দিছিলি। বগা মুখখন ক'লা পৰি গৈছিল দেখোন নিমিষতে। কিয় বাৰু? তই মীনাক্ষীৰ লগত কাজিয়া কৰা বুলি নাজানো বুলি ভাবিছ নেকি? কোন কেনেকুৱাবিধৰ মই ভালদৰেই জানো।

**ম'বাইল: ৭০০২৭-৯৭৫৪০**

*প্ৰথম পৃষ্ঠাৰ পৰা*

## ৰাজ্য চৰকাৰে চৰ অঞ্চলকে ধৰি দুৰ্গম অঞ্চললৈ বিদ্যুৎ

লাখ টকা। মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰৰ পানী যেতিয়া বৃদ্ধি পাব, এই সেঁতুখন সাময়িকভাৱে সামৰি থোৱাৰ সুবিধা আছে। আকৌ পানী কমিলে পুনৰ ব্যৱহাৰ কৰিব পৰা যাব। বছৰৰ আঠমাহে এই দলংখনেৰ যাতায়াতাৰ সুবিধা থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পৰৱৰ্তী সময়ত জনসাধাৰণে বিচাৰিলে আৰু এখন এনে ধৰণৰ ভাসমান সেঁতু নিৰ্মাণ কৰা হ'ব যাতে দুয়োটা মূৰ সংযোগ কৰিব পৰা যায়। অহা ৪০ দিনৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰা হ'ব বুলি তেওঁ কয়। চ'লাৰ লাইট প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়াও এই অঞ্চলত বিদ্যুৎ সংযোগ ব্যৱস্থা নাই। চ'লাৰৰ জৰিয়তে যথেষ্ট কাম কৰিব পৰা যায় যদিও, বিদ্যুৎ সংযোগ তথা নিয়মীয়া বিদ্যুৎ থাকিলে সেই কাম দুগুণ কৰিব পৰা যাব বুলিও তেওঁ কয়। এনে পৰিপ্ৰেক্ষিততে শক্তি বিভাগৰ লগত আলোচনা কৰি ৰাণী চাপৰিত বিদ্যুৎ সংযোগ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ বাবে ৮ কিলোমিটাৰ এইচ টি লাইনৰ ব্যৱস্থা কৰাৰ লগতে ২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এল টি লাইনেৰে বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হক্সব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ অধীনত ৫ টা ৬৩ কেভিএ আৰু ৫ টা ২৫ কেভিএ ট্ৰেঞ্চফৰ্মাৰ স্থাপনেৰে ৰাণী চাপৰিৰ প্ৰায় ৪ হেজাৰ বিঘা ভূমি সামৰি লোৱা হ'ব। তেওঁ লগতে কয় যে এই আঁচনিখনৰ বাবে প্ৰায় ৭ কোটি টকা ব্যয় কৰা হ'ব আৰু ইয়াৰ জৰিয়তে ৰাণী চাপৰি আৰু নেহালি চৰ দুয়োটাকে সামৰি ল'ব পৰা যাব। দুমাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে চৰ অঞ্চলকে ধৰি দুৰ্গম অঞ্চললৈ বিদ্যুৎ সৰবৰাহৰ বাবে এনে ধৰণে কাম কৰিবলৈ আগবাঢ়িছে বুলি তেওঁ মন্তব্য কৰে। ইতিমধ্যে শদিয়াৰ অমৰপুৰ, জোনাই আৰু কমলপুৰ চৰত বিদ্যুৎ সংযোগৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি কৃষি বিভাগৰ জৰিয়তে ৰাণী চাপৰিত যথেষ্ট কাম কৰি থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। কেইদিনমান আগতে কৃষক ৰাইজক শস্য শুকুৱাৰ বাবে বাবল ড্ৰায়াৰৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে কৃষক সন্মান নিধি তথা উন্নত বীজ আদিৰো সুবিধা কৃষকে লাভ কৰিছে। কৃষকৰ বাবে কেইটামান নতুন সুবিধাৰ কথা উল্লেখ কৰি তেওঁ কয় যে বিশেষকৈ নলবাৰীত পেপচিকো কোম্পানী গঢ় লৈ উঠাত কৃষকসকলে সামগ্ৰী উৎপাদনৰ দিশত নতুন উৎসাহ লাভ কৰিছে। কোম্পানীয়ে কৃষকক আলুৰ বাবে এক বিশেষ বীজ প্ৰদান কৰিছে আৰু সেই আলু তেওঁলোকে ক্ৰয় কৰাৰ ফলত ৫ হাজাৰৰো অধিক কৃষক উপকৃত হৈছে। ৰাণী চাপৰিৰ কৃষক বাইজে পেপচিকো কোম্পানীয়ে দিয়া আলুৰ দৰৰ সৈতে বজাৰৰ আলুৰ দৰ বিশ্লেষণ কৰি আগবাঢ়িব বিচাৰিলে তেনে ক্ষেত্ৰতো সুবিধা কৰি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। ইয়াৰ উপৰি ৰাজ্য চৰকাৰে প্ৰতিটো ক্ষেত্ৰতে মেকানাইজ ফাৰ্মিঙৰ বাবে বেংক স্থাপনৰ বাবে কাম কৰি আছে, য'ত মৰণা মৰা যন্ত্ৰকে আদি কবি বিভিন্ন ধৰণৰ কৃষি যন্ত্ৰপাতি দিয়াৰ ব্যৱস্থা কৰা হৈছে। ৰাণী-চাপৰিৰ কৃষকে বিচাৰিলে, সেই ক্ষেত্ৰটো ৰাজ্য চৰকাৰে সহায় কৰিব বুলি তেওঁ কয়। ৰাণী চাপৰিত ৰবি শস্যৰ সময়ত পানীৰ অভাৱ দূৰ কৰিবৰ বাবে প্ৰয়োজন হ'লে আৰু দীপ টিউবেলৰ ব্যৱস্থা কৰি দিয়া হ'ব বুলি তেওঁ কয়। ভূমি পট্টা সন্দৰ্ভত এই সমগ্ৰ অঞ্চলটো ৰাজহ গাঁৱলৈ ৰূপান্তৰ কৰাৰ প্ৰয়াস অব্যাহত আছে বুলি উল্লেখ কৰি তেওঁ কয় যে ওজৰ-আপত্তি আদি শুনাৰ পিছত অতি কম সময়ৰ ভিতৰত মাটিব পট্টা দিব পৰা যাব বুলি তেওঁ কয়। মাত্ৰ কেইদিন মানৰ ভিতৰতে ৰাণী চাপৰিৰ বহু কেইটা সমস্যা সমাধান হৈছে আৰু আহিব লগা দিনবোৰত এই অঞ্চলটোৰ উন্নতিৰ হকে অধিক কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অতি কম সময়ৰ ভিতৰতে এই কামখিনি সমাধান কৰাৰ বাবে অসম চৰকাৰৰ শক্তি বিভাগ, এপি ডি চি এল আৰু লোক নিৰ্মাণ (পথ) বিভাগক ধন্যবাদ জনায়। এই অনুষ্ঠানত শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, এপি ডি চি এলৰ পৰিচালন সঞ্চালক ৰাকেশ কুমাৰ, লোক নিৰ্মাণ (পথ) বিভাগৰ বিশেষ আয়ুক্ত সচিব চন্দন শৰ্মা, জিলা আয়ুক্ত সুমিত চাত্তাৱন আৰু ভাৰতীয় জনতা পাৰ্টিৰ মহানগৰ জিলাৰ সভাপতি তপন দাস প্ৰমুখ্যে গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে।

## শিৱসাগৰত জিলা স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভা সম্পন্ন

যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতাই সভাৰ মূল উদ্দেশ্য ব্যাখ্যা আগবঢ়ায়। উল্লেখযোগ্য যে, শিৱসাগৰ জিলা স্বাস্থ্য সমিতিৰ পৰ্যালোচনা সভাখনত স্বাস্থ্য বিভাগৰ প্ৰতিটো সূচাংকৰ লগতে শিশু মৃত্যুৰ পৰ্যালোচনা কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে সভাত যক্ষ্মা ৰোগ আৰু U-win ৰ সন্দৰ্ভতো বিশেষভাৱে পৰ্যালোচনা কৰা হয়। উক্ত পৰ্যালোচনা সভাত শিৱসাগৰ জিলাৰ স্বাস্থ্য বিভাগৰ শাখা বিষয়া বৰ্ণালী খতিৱৰাকে ধৰি প্ৰতিটো আমব্ৰেলা প্ৰগ্ৰেমৰ ন'ডেল বিষয়া, জিলা প্ৰতিষেধক বিষয়া, জিলা যক্ষ্মা বিষয়া, ডিমৌ আদৰ্শ চিকিৎসালয়ৰ উপ-অধীক্ষক, ডিমৌ সামূহিক স্বাস্থ্যকেন্দ্ৰৰ অধীক্ষক, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক, আটাইকেইটা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া, জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনৰ লগতে ডি পি এম ইউ আৰু বি পি এম ইউৰ সদস্যসকল উপস্থিত থাকে। আনফালে একেদিনাই সমগ্ৰ ভাৰতবৰ্ষৰ সমান্তৰালকৈ শিৱসাগৰ জিলাতো স্বাস্থ্য সমিতিৰ সৌজন্যত 'জন ঔষধি দিৱস' উপলক্ষ্যে শিৱসাগৰ নগৰৰ আমোলাপট্টিত অৱস্থিত জন ঔষধি কেন্দ্ৰত এই দিৱস উদ্‌যাপন কৰা হয়।

# শিৱসাগৰ জিলাত মুঠ ৭৭ গৰাকী বিনিয়োগকাৰীৰে বুজা বুজি চুক্তি (MOU) স্বাক্ষৰ অনুষ্ঠান সম্পন্ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসমৰ চৰকাৰৰ বহু প্ৰতীক্ষিত 'এডভাণ্টেজ আছাম ২.০' শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ লগত সংগতি ৰাখি জিলা পৰ্যায়ত অনুষ্ঠিত হোৱা বুজা-পৰাৰ চুক্তি স্বাক্ষৰ অনুষ্ঠান (MoU signing ceremony) যোৱা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত অনুষ্ঠিত হৈ যায়। ২৫ ফেব্ৰুৱাৰীত পুৱা ১০.৩০ বজাত গুৱাহাটীত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰাৰ লগতে অসম চৰকাৰৰ কৃষি বিভাগ, উদ্যোগ আৰু বাণিজ্য বিভাগ, মীন বিভাগ, পৰ্যটন বিভাগ, হস্ততাঁত আৰু বস্ত্ৰ-শিল্প বিভাগৰ জিলা পৰ্যায়ত বিনিয়োগ কৰিব বিচৰা বিনিয়োগকাৰীসকলে এই অনুষ্ঠানত অসম চৰকাৰৰ সৈতে হোৱা বুজা বুজি চুক্তিত স্বাক্ষৰ কৰে। উল্লেখ্য যে, শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা উদ্যোগ আৰু বাণিজ্য বিভাগৰ সহযোগত অনুষ্ঠিত হোৱা সভাত জিলাখনৰ সৰ্বমুঠ ৭৭ গৰাকী বিনিয়োগকাৰীৰে মুঠ ১২৫.৮৮ কোটি টকাৰ বিনিয়োগ চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিসমূহৰ জৰিয়তে ১৩০৪ গৰাকী যুৱক-যুৱতীৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সংস্থাপনৰ আশা কৰা হৈছে।

# বিজয়নগৰত গুটখাৰ অবাধ বেহা

### অচিন ৰোগত সংক্ৰমিত এই অঞ্চলৰ গুটখা সেৱনকাৰী

**শৈলেন কুমাৰ, মিৰ্জা ঃ** দক্ষিণ কামৰূপৰ ব্যৱসায়ীক প্ৰাণকেন্দ্ৰ স্বৰূপ বিজয়নগৰত গুটখাৰ অবাধ বেহা। অসাধু ব্যৱসায়ীয়ে সৃষ্টি কৰা কৃত্ৰিম নাটনিৰ ফলত মূল্যবৃদ্ধি হৈছে গুটখাৰ। বিজয়নগৰৰ একাংশ পাইকাৰী অসাধু দুষ্টচক্ৰই গুটখাৰ কৃত্ৰিম নাটনি সৃষ্টি কৰি গুটখাৰ মুল্যবৃদ্ধি কৰি খুচুৰা বিক্ৰেতা সকলক মাধমাৰ সোধাইছে। যাৰফলত খুচৰা বিক্ৰেতা সকলে অধিক দৰত পাইকাৰী বেপাৰী সকলৰ পৰা গুটখা ক্ৰয় কৰিব লগাত প্ৰতি পেকেট গুটখাৰ মুল্য দহ টকাৰ পৰিৱৰ্তে ১২-১৫ টকা পৰ্যন্ত বিক্ৰী কৰিব লগা হৈছে। এই অঞ্চলৰ উপৰহালীস্থিত গুটখা কোম্পানী এটাৰ লগত অসাধু পাইকাৰী ব্যৱসায়ী সকলে বুজাবুজি কৰি দক্ষিণ কামৰূপত গুটখাৰ চিণ্ডিকেট আৰম্ভ কৰাৰ অভিযোগ খুচৰা বিক্ৰেতাসকলৰ। আনহাতে গুটখাৰ অত্যধিক সেৱন কৰাৰ ফলত এই অঞ্চলৰ জনসাধাৰণৰ মাজত অচিন ৰোগৰ সংক্ৰমণ হোৱা পৰিলক্ষিত হৈছে। গুৰুত্বপূৰ্ণ গুটখাৰ এই অবাধ বেহা ৰোধ কৰিবলৈ খাদ্য আৰু স্বাস্থ্য বিভাগে এই অসাধু দুষ্টচক্ৰ পাইকাৰী ব্যৱসায়ী সকলক নাকি লগাবলৈ পৰৱৰ্তীকালত কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# বলীউদী গায়িকা আছিচ কৌৰৰ সংগীতানুষ্ঠানেৰে সামৰণি পৰিল গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ বাৰ্ষিক মহোৎসৱ 'ইউফুজিম ২০২৫'ৰ



**গুৱাহাটী ঃ** গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ত চাৰিদিনীয়াকৈ অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয় সপ্তাহ 'ইউফুজিম ২০২৫'ৰ ৮ মাৰ্চত সুকলমে সামৰণি পৰে। সংগীত, কবিতা, নৃত্য, নাটক, কুইজ, প্ৰাচীৰ পত্ৰিকা, বাগ্মিতা, লোকনৃত্য প্ৰতিযোগিতাৰ লগতে ৰবটিক্স আৰু চাৰ্কিটৰনিকছৰ দৰে কাৰিকৰী বিভাগৰ উপৰিও বেটল অৱ বেণ্ডছ, ফ'ক ডান্স, ফ'ক অৰ্কেষ্ট্ৰা, ফটোগ্ৰাফী, ড্ৰামা, স্কিট আদি কেইবাটাও আন্তঃমহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত হোৱা প্ৰতিযোগিতা ৫ মাৰ্চ ২০২৫ৰ পৰা ৮ মাৰ্চলৈকে অনুষ্ঠিত হয়। শংকৰী সংস্কৃতিৰ অন্যতম সৃষ্টি ভাওনা এই মহোৎসৱত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা অনুষ্ঠিত হয়। এইবাৰৰ বিশ্ববিদ্যালয় সপ্তাহৰ মুখ্য আকৰ্ষণ আছিল বলীউদৰ সংগীত শিল্পী আছিচ কৌৰৰ সংগীতানুষ্ঠান। ১০ বিলিয়নতকৈ অধিক ষ্ট্ৰীমিঙৰ সৈতে স্পটিফাইত ভাৰতৰ তৃতীয় সৰ্বাধিক জনপ্ৰিয় মহিলা সংগীত শিল্পী হিচাপে খ্যাতি লাভ কৰা গায়িকা আছিচ কৌৰৰ সংগীতৰ মায়াজালে উপস্থিত দৰ্শকক মোহাচ্ছন্ন কৰে। স্মৰ্তব্য যে, ৭ মাৰ্চ তাৰিখে ডিজে টনিৰ সংগীতানুষ্ঠানো অনুষ্ঠিত হয়। ইয়াৰ উপৰিও আন অনুষ্ঠান সমূহৰ ভিতৰত আছিল মিষ্টাৰ এণ্ড মিছ জিচিইউ, ৰবো ছকাৰ এণ্ড ৰবো ৰেচ, চাৰ্কিট্ৰনিক্স, গেমেথন আৰু জিচিইউ হেকাথন, ফক ফিউজন ফিয়েষ্টা, লাউড এণ্ড লাইভ, চিম্ফনী ছাগা, ষ্ট্ৰীট বেটেল ইত্যাদি। এই বছৰ 'RETRO REWIND' বিষয়বস্তুৰে অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয় সপ্তাহত প্ৰায় ২৫ টা অনুষ্ঠান সম্পন্ন হয়, য'ত প্ৰায় ২.৫ লাখ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হয়। বিশ্ববিদ্যালয় সপ্তাহত অংশ দিয়া বিভিন্ন মিডিয়া অংশীদাৰসকলৰ ভিতৰত আছে কোকাকোলা (ইউফুজিম ২০২৫ৰ টাইটেল স্পনছৰ) আৰু আইটিচিৰ উপৰিও জি প্লাছ, ৯২.৭ বিগ এফএম, প্ৰতিদিন টাইম, নৰ্থইষ্ট নাও, আইটিচি, ক্ৰাফ্‌টি, এক্সাম শাস্ত্ৰজ, ডি এছ এণ্টাৰপ্ৰাইজ, ডি'ৰেভ ষ্টুডিঅ', নিঅ'লিংক্স, অনলি চেফ কুলিনেৰী স্কুল (খাদ্য অংশীদাৰ) আৰু ৰাহি গ্ৰুপ অৱ কোম্পানীজৰ দৰে প্ৰধান ব্ৰেণ্ড (ভ্ৰমণ আৰু আতিথ্যৰ অংশীদাৰ) আছিল। চাৰি দিনীয়া কাৰ্যসূচীৰ অন্তত ৮ মাৰ্চ ২০২৫ ৰ সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰে শ্ৰীমন্ত শংকৰ একাডেমী ছ'চাইটিৰ সভাপতি যশোদা ৰঞ্জন দাস, বিশ্ববিদ্যালয়ৰ আচাৰ্য অধ্যাপক জয়ন্ত ডেকা আৰু উপাচাৰ্য অধ্যাপক কন্দৰ্প দাসে। মুখ্য অতিথি আৰু আমন্ত্ৰিত অতিথি হিচাপে এই অনুষ্ঠানত অসম আৰক্ষীৰ মহাপৰিদৰ্শক দিগন্ত বৰা আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন মাইম শিল্পী মইনুল হক উপস্থিত থাকে। প্ৰখ্যাত ভায়লিনবাদক মনোজ বৰুৱা আৰু তেওঁৰ বেণ্ডৰ পৰিৱেশন আৰু গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বিহু নৃত্যৰে ইউফুজিম ২০২৫ ত সফল পৰিসমাপ্তি ঘটে।


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
सत्यमेव जयते
অসম চৰকাৰ
আৰ্তজনৰ কাষত অসম চৰকাৰ
প্ৰগতিৰ দিশত ৰাজ্য আমাৰ
১০ তাৰিখ
পেঞ্চন আৰু অৰুণোদয়ৰ দিন
উপকৃত হিতাধিকাৰী
৪৩,২০,৯৫৬
প্ৰতিমাহে ধন আদায়
৩৮৪.০৫ কোটি
প্ৰতিমাহৰ ১০ তাৰিখে হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰাপ্য ধন
ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন
আৰু দীনদয়াল দিব্যাংগজন সাহায্য আঁচনিও
অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে
অৰুণোদয়
শ্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন
ৰাষ্ট্ৰীয় দিব্যাংগ, বিধৱা আৰু বৃদ্ধ পেঞ্চন আঁচনি
আঁচনিসমূহ
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us
@diprassam
dipr.assam.gov.in

# খিলঞ্জীয়া জনজাতীয় লোকসকলৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ স্বাৰ্থত এক সুকীয়া বিভাগ স্থাপন কৰা ব্যক্তিজনে হৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ঃ ডাঃ ৰণোজ পেগু




**দিছপুৰ ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু বিভাগীয় মন্ত্ৰী শ্ৰীযোগেন মহনৰ উপস্থিতিত খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত ৰাজ্যখনৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ অগ্ৰণী অনুষ্ঠান আৰু উপাসনাস্থলীৰ সামগ্ৰিক উন্নয়নৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অনুষ্ঠানত ২০২৪-২৫ বিত্তীয় বৰ্ষত সদৌ বাথৌ মহাসভাৰ উদ্যোগত গুৱাহাটীৰ গড়চুকত নিৰ্মীয়মাণ সাংস্কৃতিক আৰু ঐতিহ্য কেন্দ্ৰৰ বাবে ৫ কোটি টকা, ত্ৰিবাৰ্ষিক অধিৱেশনৰ বাবে ৫০ লাখ টকা, সদৌ অসম ব্ৰহ্ম ধৰ্ম পৰিচালনা সমিতিসহ অন্য ৫টা জনজাতীয় অনুষ্ঠানলৈ ২য় কিস্তিৰ ১০ লাখ টকাকৈ, ৩৬খন বিভিন্ন খিলঞ্জীয়া জনজাতিৰ উপাসনাস্থলীলৈ ২য় কিস্তিৰ ৫ লাখ টকাকৈ, ১০০খন বাথৌ থানশালি আৰু ৯৮টা ব্ৰহ্ম মন্দিৰলৈ ৫ লাখ টকাকৈ সাহায্য মঞ্জুৰিৰ অনুমোদন পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। উল্লেখযোগ্য যে এই ধনৰাশি ইতিমধ্যে জিলা আযুক্ত কাৰ্যালয়ৰ বেংক একাউন্টলৈ হস্তান্তৰ ব্যৱস্থা কৰা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰসঙ্গত অনুষ্ঠানৰ মুখ্য অতিথি তথা শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে- বিশ্বাসে মিলাই হৰি। যিহেতু আমাৰ বিশ্বাসে আমাৰ পৰিচয় সেয়েহে আমি আমাৰ খিলঞ্জীয়া জনজাতি লোকসকলৰ বিশ্বাস আৰু উপাসনাস্থলীসমূহৰ উন্নয়ন বাবে সংকল্পবদ্ধ। তেওঁ আৰু কয় যে আমাৰ প্ৰতিটো জনজাতিৰ এক সুকীয়া ইতিহাস আছে আৰু তাৰেই পৰিপ্ৰেক্ষিতত আমি আমাৰ স্বকীয় পৰিচয় শক্তিশালী কৰি ইয়াক এক জন-আন্দোলনলৈ পৰ্যবসিত কৰিব লাগিব। এই অনুষ্ঠানত উক্ত বিভাগৰ বিশেষ আযুক্ত সচিব ৰঞ্জন শৰ্মা, সচিব মানস নাথ আৰু সঞ্চালক অনুপম চৌধুৰী উপস্থিতি থাকে। ইয়াৰ উপৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ জনতা ভৱনস্থিত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ বিভিন্ন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ১২গৰাকীকৈ সহকাৰী অধ্যাপকক নিযুক্তিপত্ৰ প্ৰদান কৰে। এই অনুষ্ঠানত উচ্চশিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ আৰু কাৰিকৰী শিক্ষা বিভাগৰ সঞ্চালক ধ্ৰুৱজোতি বৰা উপস্থিতি থাকে।

# নগাঁৱত বিশ্ব গ্ল'কমা সপ্তাহৰ সজাগতা পদযাত্ৰাত কণ্ঠশিল্পী তৰালী শৰ্মা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ ব্যক্তিগত খণ্ডৰ চকু চিকিৎসালয় ডাঃ গৌতম'চ ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ উদ্যোগত বিশ্ব গ্ল'কমা সপ্তাহ উপলক্ষে পুৱা নগাঁও চহৰত এক সজাগতামূলক পদযাত্ৰা উলিওৱা হয়। চহৰখনৰ প্ৰণৱ বৰুৱা উদ্যানৰ সমীপৰ পৰা আমোলাপট্টি বিৰেণ মহন্ত পথস্থিত ডাঃ গৌতম'চ ব্ৰহ্মপুত্ৰ আই কেয়াৰলৈকে উলিওৱা চকুৰ গ্ল'কমা ৰোগৰ সজাগতা শীৰ্ষক পদযাত্ৰাত জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মা, ডাঃ গৌতম'চ ব্ৰহ্মপুত্ৰ আই কেয়াৰ স্বত্বাধিকাৰী ডাঃ পিকে গৌতম, ঢেকিয়াজুলি সমজিলাৰ সম আযুক্ত দ্যতিভা বৰা, ঢেকিয়াজুলিৰ খণ্ড উন্নয়ন বিষয়া হেমকান্ত বৰা, বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি, নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জিতেন বৰকটকী, বিশিষ্ট সংগীত শিল্পী যতীন্দ্ৰ কুমাৰ দাস, অৱসৰপ্ৰাপ্ত অধ্যাপিকা মুনি কাকতি, সংবাদসেৱী বিশ্বজিৎ কাকতি, ডাঃ গৌতম'চ ব্ৰহ্মপুত্ৰ আই কেয়াৰৰ মুখ্য প্ৰাৰম্ভিক সঞ্চালিকা ডাঃ ভাস্বতী শৰ্মা লগতে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি, যুৱ প্ৰজন্মৰ প্ৰতিনিধি আৰু চকু চিকিৎসা প্ৰতিষ্ঠানখনত কৰ্মৰত কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। পাচত চকু চিকিৎসা প্ৰতিষ্ঠানখনত আয়োজিত এক সজাগতামূলক সভাত বিশিষ্ট চকু চিকিৎসক ডাঃ পি কে গৌতমে চকুৰ গ্ল'কমা ৰোগৰ ভয়াৱহতাৰ বিষয়ে উল্লেখ কৰি কয় যে চকুৰ গ্ল'কমা ৰোগ বংশানুক্ৰমে হোৱাৰ সম্ভাৱনা অধিক। নীৰৱ ঘাটক স্বৰূপ এই ৰোগবিধৰ ক্ষেত্ৰত জনসাধাৰণক সজাগ আৰু সচেতন হোৱা উচিত।







# 'হোলী' উপলক্ষে ১৫ মাৰ্চত স্থানীয় বন্ধ ঘোষণা কৰিলে অসমৰ ৰাজ্যপালে

**গুৱাহাটী ঃ** কামৰূপ (মেট্ৰ') জিলাত দৌল যাত্ৰা (হোলী) মহোৎসৱ পালনৰ বাবে অসমৰ ৰাজ্যপালে ২০২৫ চনৰ ১৫ মাৰ্চত (শনিবাৰ) স্থানীয় বন্ধ ঘোষণা কৰিছে। সেইদিনা জিলাখনৰ সকলো ৰাজ্য চৰকাৰৰ কাৰ্যালয় আৰু শিক্ষানুষ্ঠান বন্ধ থাকিব যাতে বাসিন্দাসকলে এই উৎসৱ উদ্‌যাপন কৰিব পাৰে। চৰকাৰী কাৰ্যালয় আৰু বিদ্যালয়ৰ লগতে কামৰূপ (মেট্ৰ') জিলাৰ সকলো বিত্তীয় প্ৰতিষ্ঠানেও এই বন্ধ পালন কৰিব। ১৮৮১ চনৰ Negotiable Instruments Act ৰ ২৫ নং ধাৰা আৰু ১৯৫৭ৰ ৮ জুনৰ ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত এই বন্ধ ঘোষণা কৰা হৈছে।

# বিচ্ছেদ

■ **হীৰক কলিতা,** নলবাৰী

**তা**ই মাকৰ ঘৰৰ পৰা একো যৌতুক নানিলে আৰু তাই কেতিয়াও সন্তান জন্ম দিব নোৱাৰে বাবা সেই কাৰণে এইবাৰ মই তোৰ বাবে এজনী নতুন ছোৱালী চাম। কথাবোৰ শীতলাই মনে মনে শুনি আছিল। অৱশেষত ইমান দিনে ভুগি থকা অত্যাচাৰ আৰু মানসিক শান্তিৰ পৰা মুক্তি বিচাৰি শীতলাই বিবাহ বিচ্ছেদ কৰাৰ সিদ্ধান্ত ল'লে। স্বামী প্ৰদীপে এই কথা অস্বীকাৰ কৰিছিল যদিও মাকৰ ওপৰত সি কথা ক'ব নোৱাৰিলে। অৱশেষত শীতলা মাকৰ ঘৰলৈ উভতি আহিল শীতলাৰ দেউতাক শীতলাই সৰু থাকোঁতেই ঢুকাল ভায়েক ৰমেনে যিকোনো প্ৰকাৰে ঘৰ খন চলাই আছে, মূৰৰ ওপৰত অজস্ৰ ধাৰৰ বোজা এতিয়া ঘৰখনত আকৌ এটা নতুন বোজা শীতলা। শীতলাৰ দুচকুত দিনে-ৰাতি চকুপানী। তাই যে এতিয়া ভাবি পোৱা নাই জীৱন জীয়াই থাকিব নে মৰিব। বৃদ্ধ মাকৰ দুখ তাই চাব নোৱাৰে আৰু ভায়েকৰ কষ্ট তাই নিজ চকুৰে দেখিছে। অৱশেষত শীতলাই সিদ্ধান্ত ল'লে তাই কাম কৰিব। শীতলাই মাকৰ পুৰণি চিলাই মেচিনটো উলিয়াই ল'লে তাই সিদ্ধান্ত ল'লে যে এতিয়া তাই হাতৰ বিদ্যা ব্যৱহাৰ কৰিব, জীৱন জীয়াই থাকিব লাগিব যিকোনো প্ৰকাৰে। দুখে এৰা নিদিয়া হ'ল শীতলাক। তথাপিও তাই হাৰি যোৱা নাই জীৱন যুদ্ধত, তাই এইবাৰ আকৌ নতুন জীৱন আৰম্ভ কৰিব...।

এফালে শাহুৱেক প্ৰণীতাই সম্ভ্ৰান্ত ঘৰৰ ছোৱালী নিৰ্মালি আৰু প্ৰদীপক বিবাহ পাশত আৱদ্ধ কৰালে। যৌতুকেৰে ভৰি পৰিল প্ৰণীতাৰ ঘৰ। প্ৰণীতাৰ আনন্দৰ সীমা নাই। কিন্তু এইবাৰ নিৰ্মালি মিলিব নোৱাৰিলে শাহুৱেকৰ লগত প্ৰতিটো কথাতে দুয়োৰে মাজত তৰ্ক-বিতৰ্ক, শাহুৱেকৰ লগত কোনো প্ৰকাৰে সুখী হ'ব নোৱাৰিলে নিৰ্মালি। এফালে বিবাহ হোৱাৰ এবছৰ উকলি গ'ল এতিয়ালৈ কোনো সন্তানৰ মুখ দেখুওৱাৰ পৰা নাই নিৰ্মালি। বহু কেইটা ডক্টৰক দেখুওৱাইছে যদিও এই সমস্যাৰ কোনো সমাধান পোৱা নাই। অৱশেষত ড° শৰ্মাই এই সমস্যাৰ সমাধান উলিয়ালে দোষ নিৰ্মালিৰ নাই দোষ আছে প্ৰদীপৰ। কথাষাৰ শুনাৰ লগে লগে নিৰ্মালিৰ মূৰত আকাশ ভাঙি পৰিল। শাহুৱেক প্ৰণীতা এইবাৰ মৌন, এইবাৰ সিদ্ধান্ত ল'লে নিৰ্মালিৰ দেউতাক অনন্তই বৰুৱাই নিৰ্মালিৰ বিবাহ বিচ্ছেদ কৰাই নিৰ্মালি বাবে আকৌ নতুন দৰা বিচাৰিব। সম্ভ্ৰান্ত ঘৰৰ ছোৱালী নিৰ্মালিও এই সিদ্ধান্ত স্বীকাৰ কৰিলে, তাই বিবাহ বিচ্ছেদ কৰিব। সংসাৰ ভঙাৰ দুখত প্ৰদীপ আৰু মাক প্ৰণীতাৰ মাজত এতিয়া প্ৰতিটো কথাতে কাজিয়া। অৱশেষত প্ৰণীতাই নিজৰ ভুল বুজি পালে আৰু শীতলাৰ ঠিকনা বিচাৰি শীতলাৰ ওচৰত ক্ষমা খুজিলে আৰু শীতলাক পুনৰ প্ৰদীপে বিচাৰিছে বুলি প্ৰস্তাৱ দিলে কিন্তু এইবাৰ শীতলাই সিদ্ধান্ত সলনি কৰিলে। তাই ক'লে যে এতিয়া তাই অকলে সুখী তাই আকৌ পুৰণি দিনৰ মুখামুখি হ'ব নোখোজে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা